www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনত কোনো সুযোগ-সুবিধা নাপালোঁ বুলি কোনো মহৎ লোকে আপত্তি কৰাৰ উদাহৰণ নাই। - আৰ. ডব্লিউ. এমাৰছন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২২৪ | মঙ্গলবাৰ | ২৩ জুন, ২০২৬ চন | Volume/Year- I | Issue- 223 | Tuesday | 23rd June, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ তৎপৰতা, কথামতেই কাম

ওদালগুৰিৰ ডিমাকুছিত বেটেৰীচালিত বৈদ্যুতিক বাছ সেৱাৰ শুভাৰম্ভণী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২২ জুন ঃ ওদালগুৰি জিলাৰ ভুটান সীমান্তৱৰ্তী বৃহত্তৰ ডিমাকুছি অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবী আৰু অভাৱ পূৰণ কৰি সোমবাৰে (আজি) জিলাখনৰ ডিমাকুছিত বেটেৰীচালিত বৈদ্যুতিক বাছসেৱাৰ শুভাৰম্ভণী কৰে ৰাজ্যৰ পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে। নৱগঠিত ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিৰ পৰা ৪৬ নং টংলা বিধানসভা সমষ্টিৰ মাজেৰে বৈদ্যুতিক বাছসেৱাৰ শুভাৰম্ভ কৰি পৰিবহণ মন্ত্ৰী চৰণ বড়োই বিটিচি চৰকাৰৰ পৰা পৰ্যাপ্ত চাৰ্জিং পইণ্ট নিৰ্মাণ হৈ উঠিলেই আৰু অধিক বাছৰ ব্যৱস্থা কৰা হ'ব বুলি আশ্বাস দিয়ে। বিভিন্ন সময়ত বৃহত্তৰ অঞ্চলৰ সাধাৰণ ৰাইজ তথা বহুতো দল সংগঠনে মন্ত্ৰী চৰণ বড়োক আবেদন জনাই আহিছিল যে ভুটান সীমান্তৰ ডিমাকুছিৰ পৰা মঙ্গলদৈ আৰু গুৱাহাটীলৈ বেটাৰি চালিত বাছৰ ব্যৱস্থা কৰি ৰাইজৰ সুবিধা কৰি দিবলৈ। অৱশেষত ৰাইজক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিলে পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে। ওদালগুৰি জিলাৰ ডিমাকুছিৰ পৰা পানেৰী, টংলা, কলাইগাঁও হৈ মঙলদৈলৈ চলাচল ৰাইজৰ বাবে মুকলি কৰি দিলে এখন গ্ৰীণ বাছ। ইয়াৰ উপৰিও পৰৱৰী সময়ত খৈৰাবাৰী; ভেৰগাঁও, খৈৰাবাৰী, বামুণজুলি, চামবাং ❑ ৬ পৃষ্ঠাত

চতুৰ্থ সন্তান জন্ম দিলে ভৰিৰ লাগিব মাচুল ঃ ৰণজিৎ কুমাৰ দাস

অযথা ৰোগীক 'ৰেফাৰ' কৰা চিকিৎসকৰ বিৰুদ্ধেও লোৱা হ'ব কঠোৰ ব্যৱস্থা

অসম বাৰ্তা, ৰবপেটাৰোড, ২২ জুন ঃ ৰাজ্যৰ জনসংখ্যা নীতি অধিক ফলপ্ৰসূ কৰাৰ লক্ষ্যৰে আজি এক গুৰুত্বপূৰ্ণ তথা কঠোৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিলে অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। ৰবপেটাৰোড এফ আৰ ইউ (FRU)ত আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি অধ্যক্ষগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে অহা ৰ জুলাইৰ পৰা যদি কোনো প্ৰসূতিয়ে চতুৰ্থ সন্তান জন্ম দিয়ে, তেন্তে তেওঁলোকে চৰকাৰী চিকিৎসালয়ৰ বিনামূলীয়া সেৱাৰ সুবিধা লাভ নকৰিব। ইয়াৰ পৰিৱৰ্তে চিকিৎসা মহাবিদ্যালয়সমূহত ধাৰ্য কৰা ন্যূনতম মাচুল আদায় দিহে ❑ ৬ পৃষ্ঠাত

নীট ইউজি পুনৰ পৰীক্ষাত ভয়ংকৰ জালিয়াতি; বিহাৰত এইমছৰ ছাত্ৰসহ ৩১জনক গ্ৰেপ্তাৰ

ভাড়াতীয়া পৰীক্ষাৰ্থী আৰু ৰায়'মেট্ৰিক হেৰফেৰৰ চক্ৰ উন্মোচন; ১০ লাখ টকালৈকে সংগ্ৰহ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ জুন ঃ ৩ মে'ত অনুষ্ঠিত নীট ইউজি ২০২৬ পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱাৰ পাছত দেশজুৰি সৃষ্টি হোৱা বিতৰ্কৰ পুনৰাবৃত্তি যাতে নঘটে, তাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি ২১ জুন দেওবাৰে পুনৰ পৰীক্ষা অনুষ্ঠিত কৰায়। কিন্তু পুনৰ পৰীক্ষাৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ নহ'ল, কাৰণ ইয়াতো সংঘটিত হ'ল এক ভয়ংকৰ জালিয়াতি। বিহাৰৰ লক্ষ্মীচৰাই জিলাৰ পৰীক্ষাকেন্দ্ৰসমূহত ভাৰাতীয়া পৰীক্ষাৰ্থী, ৰায়'মেট্ৰিক পৰীক্ষা ব্যৱস্থাৰ সৈতে আপোচ আৰু অন্যান্য অনিয়মৰ অভিযোগ উত্থাপন হোৱাৰ লগে লগে আৰক্ষীয়ে সততে কাৰ্য্যক্ষেপণ আৰম্ভ কৰে ❑ ৬ পৃষ্ঠাত

আজি পুৱা ৰৰ বজাত ঘোষণা হ'ব HSLC কম্পাৰ্টমেণ্টেলৰ ফলাফল

অনলাইনতেই চাব পাৰিব ডিজিটেল মাৰ্কশ্বীট

নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ জুন ঃ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ড (ASSEB)-এ ২০২৬বৰ্ষৰ উচ্চ মাধ্যমিক শিক্ষান্ত (HSLC) কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল ঘোষণাৰ বাবে চূড়ান্ত তাৰিখ নিৰ্ধাৰণ কৰিছে। বোৰ্ডৰ প্ৰকাশিত চৰকাৰী জাননী মতে, আজি পুৱা ৰৰ বজাত আনুষ্ঠানিকভাৱে এই ফলাফলসমূহ উন্মোচন কৰা হ'ব। বিগত মে' আৰু জুন মাহত অনুষ্ঠিত হোৱা এই বিশেষ পৰীক্ষাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ❑ ৬ পৃষ্ঠাত

বিধায়ক ৰূপে শপত ল'লে বদৰুদ্দিন আজমলে

ৰাজ্যিক ৰাজনীতিলৈ পুনৰাগমন; উচ্ছেদ অভিযান প্ৰসঙ্গত আইনী পথ অৱলম্বনৰ ইংগিত

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ জুন ঃ এ আই ইউ ডি এফৰ সভাপতি তথা ধিমাকাদিৰ বিধায়ক বদৰুদ্দিন আজমলে সোমবাৰে অসম বিধানসভাত আনুষ্ঠানিকভাৱে বিধায়ক হিচাপে শপত গ্ৰহণ কৰে। অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে তেওঁৰ চৰকাৰী কক্ষত আজমলক শপত বাক্য পাঠ কৰোৱায়। উল্লেখযোগ্য যে গত মে' মাহত অনুষ্ঠিত হোৱা সমূহীয়া শপত গ্ৰহণ অনুষ্ঠানত আজমল উপস্থিত থাকিব পৰা নাছিল, কাৰণ তেতিয়া তেওঁ পবিত্ৰ হজ্জ যাত্ৰা সম্পন্ন কৰিবলৈ বহিৰাষ্ট্ৰত আছিল। সেয়েহে তেওঁৰ বাবে পৃথকভাৱে এই শপত গ্ৰহণৰ ❑ ৬ পৃষ্ঠাত

গুৱাহাটীৰ পৰা ডুবাই-আবুধাবিলৈ পোনপটীয়া বিমান সেৱা

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ জুন ঃ অসমৰ আন্তঃৰাষ্ট্ৰীয় বিমান সংযোগৰ ক্ষেত্ৰত এক ঐতিহাসিক অধ্যায়ৰ সূচনা কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে (২২ জুন) এক গুৰুত্বপূৰ্ণ ঘোষণা কৰে। তেওঁ জনোৱা মতে, আহা ৪ আগষ্ট তাৰিখৰ পৰা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ ছচিয়েল মিডিয়াত ঘোষণা; ইউৰোপীয় নিষেধাজ্ঞা প্ৰত্যাহাৰৰ পিছতেই ঘোষণা

লক্ষ্ণৌত কোচিং চেণ্টাৰৰ অগ্নিকাণ্ডত ১৫ কিশোৰৰ মৃত্যু

ওপৰৰ মহলাৰ পৰা জঁপিয়াই প্ৰাণ ৰক্ষা শিক্ষাৰ্থীৰ; প্ৰধানমন্ত্ৰীৰ শোক

নিউজ ডেস্ক, অসম বাৰ্তা, ২২ জুন ঃ উত্তৰপ্ৰদেশৰ ৰাজধানী লক্ষ্ণৌত সংঘটিত হৈছে এক ভয়াবহ অগ্নিকাণ্ড। আলিগড় অঞ্চলৰ পুৰাণিয়া নামৰ স্থানত অৱস্থিত এখন এনিমেচন কোচিং চেণ্টাৰত হঠাতে জুয়ে আকাল লয়, যাৰ ফলত ১৫ গৰাকী কিশোৰ ছাত্ৰ-ছাত্ৰীয়ে কৰুণ মৃত্যুক সাৰটি লয়। ❑ ৬ পৃষ্ঠাত

৩০ জুনৰ পৰা আয়ুষ্মান কাৰ্ডেৰে ব্যক্তিগত চিকিৎসালয়ত বন্ধ হ'ব ডায়েলিছিচ

চিকিৎসালয়ৰ বিছনা এৰি ৰাজপথত ডায়েলিছিচ ৰোগীৰ প্ৰতিবাদ — 'আমাক গুলীয়াই মাৰক নহ'লে চিকিৎসাৰ ব্যৱস্থা কৰক'

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ জুন ঃ অসমৰ স্বাস্থ্যখণ্ডত এইবাৰ এক লজ্জাজনক আৰু ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। চিকিৎসালয়ৰ শয্যা এৰি ৰাজপথলৈ গুলাই আহিছে ডায়েলিছিচ কৰি থকা বৃক্ক ৰোগীসকল। চৰকাৰলৈ তেওঁলোকৰ কাতৰ অনুৰোধ-'আমাক গুলীয়াই মাৰক, নহ'লে জীয়াই থকাৰ বাবে হাস্পতালত পৰ্যাপ্ত চিকিৎসাৰ সুবিধা কৰি দিয়ক'। ৰাজ্য চৰকাৰৰ এক সিদ্ধান্তৰ ❑ ৬ পৃষ্ঠাত

ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰৰ পদত্যাগ

আৱেগিক বিদায় বাৰ্তাত পত্নী-সন্তানৰ প্ৰসংগ; ৰজা চাৰ্লছিক অৱগত

ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২২জুন ঃ ব্ৰিটেইনৰ ৰাজনৈতিক মহলত দীৰ্ঘদিন ধৰি চলি থকা জল্পনা-কল্পনাৰ অন্ত পেলাই অৱশেষত প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰে নিজৰ পদৰ পৰা পদত্যাগ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰিলে। ১০ ডাউনিং ষ্ট্ৰীটৰ সন্মুখত দিয়া এক আবেগিক বিদায়কালীন ভাষণত ষ্টাৰমাৰে কয় যে দেশৰ আটাইতকৈ ডাঙৰ দায়িত্ব বহন কৰাৰ পাছত এতিয়া তেওঁ নিজৰ জীৱনৰ ❑ ৬ পৃষ্ঠাত

উচ্চ ন্যায়ালয়ৰ পৰা সঁকাহ নাপাই উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছে শ্যামকানু মহন্ত

কাইলৈ শীৰ্ষ আদালতত শুনানি

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ জুন ঃ সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত গোচৰটোৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰাত ব্যৰ্থ হোৱাৰ পাছত এতিয়া উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছে। উচ্চন্যায়ালয়ে তেওঁৰ ❑ ৬ পৃষ্ঠাত

বদলিৰ নামত দুৰ্নীতি সহ্য নহ'ব ঃ জয়ন্ত মল্লবৰুৱা

বন বিভাগত সততা-স্বচ্ছতাৰ বাৰ্তা মন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ জুন ঃ সোমবাৰে খানাপাৰাস্থিত অসম প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয়ত ৰাজ্যৰ সকলো আঞ্চলিক বন সংমণ্ডলৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়, য'ত বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সভাপতিত্ব কৰে। এই বৈঠকতে মন্ত্ৰীগৰাকীয়ে বন বিভাগৰ কাম-কাজত সততা, স্বচ্ছতা আৰু কৰ্মদক্ষতাক মূল স্তম্ভ হিচাপে গঢ়ি তোলাৰ আহ্বান জনায়। তেওঁ কয় যে বনভূমি সুৰক্ষা আৰু চৰকাৰৰ বেদখল উচ্ছেদ অভিযান সফল ৰূপায়ণৰ বাবে বন বিভাগ ইতিমধ্যে বিশেষ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে, আৰু এই সাফল্যৰ কৃতিত্ব বিভাগীয় বিষয়া আৰু ক্ষেত্ৰপৰ্যায়ৰ কৰ্মচাৰীসকলক দিয়াৰ লগতে তেওঁলোকক একাগ্ৰতা আৰু পেছাদাৰী মনোভাৱেৰে অসমৰ প্ৰাকৃতিক সম্পদ সুৰক্ষিত ৰাখিবলৈ অনুপ্ৰেৰিত কৰে। বৈঠকত এক স্পষ্ট আৰু কঠোৰ বাৰ্তা প্ৰেৰণ কৰি মন্ত্ৰী মল্লবৰুৱাই ঘোষণা কৰে যে বদলি আৰু পদস্থাপনৰ নামত কোনো ধৰণৰ দুৰ্নীতি কোনো পৰিস্থিতিতেই সহ্য কৰা নহ'ব। ৰাজনৈতিক নেতা বা উচ্চপদস্থ বিষয়াৰ নাম ব্যৱহাৰ কৰি ধন লোৱা বা দিয়াসংলগ্ন কাৰ্যকলাপত জড়িত বিষয়া, কৰ্মচাৰী বা মধ্যস্থতাকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। লগতে তেওঁ বিভাগীয় আধিকাৰিকসকলক স্বচ্ছ আৰু নিৰ্ভীক মনোভাৱেৰে কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে। দিনজোৰা এই পৰ্যালোচনা বৈঠকত ৰাজ্য বৃদ্ধিৰ সম্ভাব্য উপায়, বিদ্যুমান ব্যৱস্থাগত সমস্যাসমূহৰ চিনাক্তকৰণ, ৰাজহ ❑ ৬ পৃষ্ঠাত

খাগুং বান্ধৰ ৭ নং গেট মুকলি; নামনি অঞ্চলত বানৰ আশংকা

অবিশ্ৰান্ত ৰৰষুণত কপিলীৰ জলস্তৰ বিপদসীমাত; প্ৰশাসনৰ সতৰ্ক

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ জুন ঃ ডিমা হাছাও জিলাত বিগত কেইবাদিনো ধৰি হৈ থকা ধাৰাসাৰ ৰৰষুণে জিলাখনৰ প্ৰধান নৈ কপিলীৰ জলস্তৰ ভয়ংকৰভাৱে বৃদ্ধি কৰিছে। জলীয়ে ক্ৰমাৎ ওপৰলৈ আহি থাকোঁতে কপিলীৰ ওপৰত নিৰ্মিত ৫০ মেগাৱাটৰ খাগুং জলবিদ্যুৎ প্ৰকল্পৰ জলাশয়তো পানীৰ চাপ অস্বাভাৱিকভাৱে বাঢ়ি যায়। ফলত বিপদসীমা প্ৰায় স্পৰ্শ কৰি থকা অৱস্থা দেখি নীপকোৰ (উত্তৰ-পূব বৈদ্যুতিক শক্তি নিগম) ❑ ৬ পৃষ্ঠাত

দ' পুখুৰীত সোমাল বাহন; নিহত দুই SBIৰ কৰ্মচাৰী

ধেমাজিৰ হাঁহচৰাত সংঘটিত ভয়ংকৰ দুৰ্ঘটনা

অসম বাৰ্তা, ধেমাজি, ২২ জুন ঃ পথ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও এইক্ষেত্ৰত বিশেষ কোনো সফলতা লাভ কৰা নাই। বিগত কেইবা বছৰ ধৰি অসমত পথ দুৰ্ঘটনাৰ সংখ্যা চিন্তনীয় ৰূপত বৃদ্ধি পাবলৈ ধৰিছে। এইবাৰ ধেমাজিৰ মৰিলন হাঁহচৰাত সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। এখন তীব্ৰগেণী বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ দ' পুখুৰীত বাগৰি পৰাৰ ফলত থিতাতে মৃত্যু হয়। ভাৰতীয় ষ্টেট বেংকৰ দুজন বিষয়া-কৰ্মচাৰীৰ। শোকাবহ ঘটনাই সমগ্ৰ ধেমাজি জিলাৰ লগতে মৃত বিষয়া দুজনৰ বাসগৃহতো শোকৰ ছাঁ পেলাইছে। নিহত বেংক কৰ্মচাৰী দুজন ক্ৰমে- ধেমাজি ❑ ৬ পৃষ্ঠাত

মেটাৰ $৯০০ মিলিয়ন বিনিয়োগ CREDত

হোৱাটছএপৰ নতুন মুৰব্বী কুণাল শ্বাহ

নিউজ ডেস্ক, অসম বাৰ্তা, ২২ জুন ঃ হোৱাটছএপৰ মূল প্ৰতিষ্ঠান মেটাই বিশ্বজুৰি এক গুৰুত্বপূৰ্ণ নেতৃত্ব পৰিৱৰ্তনৰ ঘোষণা কৰিছে। ভাৰতৰ জনপ্ৰিয় ফিনটেক প্ৰতিষ্ঠান CREDৰ প্ৰতিষ্ঠাপক আৰু প্ৰধান কাৰ্যবাহী বিষয়া কুণাল শ্বাহক হোৱাটছএপৰ নতুন মুৰব্বী (Head of WhatsApp) হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ ২০১৯ চনৰ পৰা এই মেছেজিং এপটোৰ নেতৃত্ব দি অহা বিল কেথকাৰ্টৰ স্থান ল'ব। নতুন দায়িত্ব গ্ৰহণৰ বাবে কুণাল শ্বাহে CRED-ৰ কাৰ্যবাহী ভূমিকা আৰু অপাৰেটিং দায়িত্বৰ পৰা আঁতৰি আহিব, যদিও তেওঁ কোম্পানীটোৰ এজন প্ৰধান শেয়াৰহোল্ডাৰ হিচাপে বাহাল থাকিব। শ্বাহৰ অনুপস্থিতিত CRED-ৰ বৰ্তমানৰ ষ্ট্ৰেটেজী আৰু ফাইনেন্স মুৰব্বী মিতেন সম্পটে অন্তৰ্বৰ্তীকালীন প্ৰধান কাৰ্যবাহী ❑ ৬ পৃষ্ঠাত

বকো জেএন কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ উদ্যোগত ৰেড ৰিবন ক্লাবৰ সহযোগত পাৰ্বতী পাহাৰত চাফাই অভিযান

অসম বাৰ্তা, বকো, ২১ জুন ঃ কামৰূপ জিলাৰ জবাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী সন্মিলনীৰ উদ্যোগত আৰু জবাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ ৰেড ৰিবন ক্লাবৰ সহযোগত বকোৰ দাঁতি-কাষৰীয়া পৰ্যটন স্থলী পাৰ্বতী পাহাৰত চাফাই অভিযান চলোৱা হয়। বকো ৰাজহ চক্ৰৰ অন্তৰ্গতি বালাপাৰাস্থিত পাৰ্বতী মন্দিৰ তথা পাহাৰত বিভিন্ন অঞ্চলৰ পৰা দৈনিক সকলো সময়তে পৰ্যটনকৰ আগমন ঘটে। সেয়ে ভক্তপ্ৰাণ ৰাইজ তথা পৰ্যটকৰ আগমণৰ প্ৰতি লক্ষ্য ৰাখি উক্ত পৰ্যটন স্থলীখন চাফ-চিকুন কৰি ৰাখি এটি সুন্দৰ আৰু স্বাস্থ্য সম্মত পৰিবেশ গঢ়ি তোলাৰ প্ৰয়াসেৰে আজিৰ এই কাৰ্যসূচী ৰূপায়ণ কৰা হয় বুলি জানিব দিয়ে উদ্যোক্তা মণ্ডলীৰ বিষয়া অনচুমা খুংগুৰ বড়োচা আৰু এলুমিনি সমিতিৰ সভাপতি ৰমেন চিং ৰাভাই। আজিৰ মনোজ কাৰ্যসূচীত জবাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী সন্মিলনীৰ সভাপতি ৰমেন সিং ৰাভাৰ লগতে উপদেষ্টা স্বাধীন বড়ো, উপ-সভাপতি ডং মহানন্দ দাস, সহ-সম্পাদক গৌৰাংগ চৌধুৰী, কোষাধ্যক্ষ মিণ্টু পাটোৱাৰীৰ লগতে জবাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ ৰেড ৰিবন ক্লাবৰ ভালেমান সংখ্যক সদস্য আৰু প্ৰাক্তন ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে বুলি জবাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ সাধাৰণ সম্পাদক তথা ৰেড ৰিবন ক্লাবৰ কো-অৰ্ডিনেটৰ অনচুমা খুংগুৰ বড়োচাই জানিবলৈ দিছে। অতি নৈসৰ্গিক তথা চিৰসেউজ মনোমোহা বকোৰ পাৰ্বতী মন্দিৰ আৰু পাহাৰত চাফাই অভিযান চলোৱা বাবে দলটোক স্থানীয় ৰাইজে শলাগ লয়।

■ ৰাষ্ট্ৰীৰ পৰ্যায়ত উজলি উঠা মহৰ্ষি কলিতাৰ নৃত্য প্ৰদৰ্শন ■

কলাগুৰু বিষ্ণু ৰাভাৰ গীত-মাত, কবিতা, নৃত্যই জীপাল কৰিলে ডুমডুমা সাহিত্য সভাৰ বাকৰি

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ সমগ্ৰ অসমৰ লগতে ডুমডুমাতো ডুমডুমা শতদল শাখা সাহিত্য সভা আৰু ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত ২০ জুন তাৰিখে সন্ধিয়া ডুমডুমা সাহিত্য সভা ভৱনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱসটি 'সুৰৰে দেউলৰে' শীৰ্ষক গীত-মাত, কবিতা আৰু নৃত্যৰ এটি বিশেষ অনুষ্ঠানৰ জৰিয়তে উদযাপন কৰা হয়। এই উপলক্ষে সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সমুজ্জ্বল বড়া সোণোৱালে। বিষ্ণু প্ৰসাদ ৰাভাৰ সংগ্ৰামী সত্তা আৰু সাংস্কৃতিক অৱদান সম্পৰ্কে চমুকৈ বক্তৃতা প্ৰদান কৰে দেবেন ডেকাই। অনুষ্ঠানৰ আৰম্ভণিতে নৃত্যত ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠা নৃত্য শিল্পী মহৰ্ষি কলিতাই 'সুৰৰে দেউলৰে' শীৰ্ষক বিষ্ণু ৰাভাৰ গীতত নৃত্য পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। বিষ্ণুপ্ৰসাদ ৰাভাৰ কেইবাটাও কালজয়ী গীত একক ভাৱে পৰিৱেশন কৰে ক্ৰমে, অৰ্চিকা কলিতা, জিজ্ঞাসা হাজৰিকা, নিয়ৰ শংকৰ কলিতা, মযুক্ষী মহন্ত আৰু অনামিকা লহকৰে। নৃত্য পৰিৱেশন কৰে দিক্ষিতা হাজৰিকাই। তাৰ পাছতে ডুমডুমাৰ ল'টাচ একাডেমীৰ শিক্ষয়িত্ৰী জুলি মহাজনৰ পৰিচালনাত ল'টাচ একাডেমীৰ ছাত্ৰী আয়ৰা সেনগুপ্তা, নায়ৰা থাপা, বিচিকা দাস, চানভী মল্লিক, সংঘমিত্ৰা গুপ্ত আৰু আৰাধ্যা দেৱৰয়ে বিষ্ণু ৰাভাৰ গীতত এটি দলীয় নৃত্য পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। বিষ্ণু ৰাভাৰ কবিতা আবৃত্তি কৰে নিভাৰাণী চৌধুৰী আৰু দেবেন ডেকাই। শাখাৰ সহকাৰী সম্পাদিকা জোনালী শইকীয়া ডেকাৰ বচনা আৰু পৰিচালনাত ডুমডুমা শাখা সাহিত্য সভাৰ সদস্যাসকলে এখনি সুন্দৰ আলেখ্য পৰিৱেশন কৰি ৰাইজৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। আলেখ্যৰ শিল্পীসকল আছিল ক্ৰমে - অনামিকা লহকৰ, নমী বৰঠাকুৰ শৰ্মা, অলি দাস বৰ্মন, মিৰাণ্ডা বৰুৱা ডেকা, ৰীমা ডেকা, মনমী.গোস্বামী হাজৰিকা, নিভৰাণী চৌধুৰী, মন্দিৰা বৰুৱাআৰু কাকলি কলিতই। নৃত্য পৰিচালনা কৰে মহৰ্ষি কলিতাই। শাখা সাহিত্য সভাৰ সম্পাদক নিত্যানন্দ দাস আৰু সদস্য মিৰাণ্ডা বৰুৱা ডেকাই আঁত ধৰা এই অনুষ্ঠানত শাখা সাহিত্য সভাৰ উপ-সভাপতি ত্ৰিদ্বীপ ডেকা, সহকাৰী সম্পাদক ধ্ৰীজেন শৰ্মা, জোনালী শইকীয়া ডেকা, মাকুম শাখা সাহিত্য সভাৰ সম্পাদক দিগন্ত দাস, অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলাৰ সভাপতি জয়সূৰ্য বৰা, ডুমডুমা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক লালন প্ৰসাদ গুপ্তা, বিশিষ্ট সাংবাদিক দীনেশ গোয়েল আৰু কুলধৰ বৰ্মন, শিক্ষক শুভাশিস মল্লিককে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

১ জুলাইত ডুমডুমা মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ শুভাৰম্ভ আৰু প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ এচাম আলোক সন্ধানী ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাত অসমৰ পূব প্ৰান্তৰ ডুমডুমা বিধানসভা সমষ্টিৰ বিস্তীৰ্ণ অঞ্চলত উচ্চ শিক্ষা প্ৰসাৰৰ মহৎ উদ্দেশ্য সৰোগত কৰি ১৯৬৭ চনৰ ১ জুলাইৰপৰা যাত্ৰাৰম্ভ কৰা ডুমডুমা মহাবিদ্যালয় বিগত সময়ৰ ইতিহাস ইয়াৰ সৈতে সংযুক্ত হোৱা প্ৰতিজন ব্যক্তিৰ মণিকোঠাত সৌৰৱণৰ সোণালী সুতাৰে গঁথা আছে। সেয়ে ডুমডুমা মহাবিদ্যালয় পৰিয়ালে সেই সৌৰৱণীৰ সোণগুটি বেটিলাৰ প্ৰয়াসেৰে কৃতজ্ঞ চিত্তে বিগত বছৰসমূহত পালন কৰি আহাৰ দৰে এইবাৰো প্ৰতিষ্ঠা দিৱসটি অহা ১জুলাইত উদ্‌যাপন কৰাৰ দিহা কৰিছে। ইয়াৰ লগে লগে মহাবিদ্যালয়খনে ৫৯টা বসন্ত অতিক্ৰম কৰি ৬০ বছৰত ভৰি দিবহি। হীৰক জয়ন্তীৰ এই গৌৰৱময় বৰ্ষটি বৰ্ণাঢ্য ৰূপত উদযাপনৰ বাবে মহাবিদ্যালয় পৰিয়ালে বিভিন্ন কাৰ্যসূচী হাতত লোৱাৰ উপৰিও আৰম্ভণি অনুষ্ঠানটিও অহা ১ জুলাইত উদযাপনৰ আয়োজন কৰা হৈছে। ইতিমধ্যে বিধায়ক ৰূপেশ গোৱালা আৰু পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্তক মুখ্য উপদেষ্টা, অধ্যক্ষ ড° কমলেশ্বৰ কলিতাক সভাপতি আৰু ড° প্ৰাণজিৎ শইকীয়াক সম্পাদক হিচাবে লৈ গঠন কৰা সমিতিখনে অহা এক জুলাইৰ অনুষ্ঠানৰ বাবে এখন কাৰ্যসূচী প্ৰস্তুত কৰিছে। সেই অনুসৰি ১ জুলাই পুৱা ৯ বজাত বন্তি প্ৰজ্বলন, পুৱা ৯-১৫ বজাত পতাকা উত্তোলন, পুৱা ৯-৪০ বজাত স্মৃতি তৰ্পণ, পুৱা ৯-৫০ বজাত গছপুলি ৰোপণ, পুৱা ১০ বজাত চাহ বিৰতি, পুৱা ১০-৩০ বজাত মুকলি সভা। সন্ধিয়া ৬ বজাত মহাবিদ্যালয় চৌহদত বন্তি প্ৰজ্বলনেৰে হীৰক জয়ন্তী উদ্‌যাপনৰ আৰম্ভণি অনুষ্ঠানত সামৰণি পৰিব। এই অনুষ্ঠানত সকলোকে সহযোগিতা কামনা কৰিছে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই।

নলবাৰীত দ্বাদশ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন

অসম বাৰ্তা, নলবাৰী, ২১ জুন ঃ নলবাৰী জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় আয়ুস অভিযান, নলবাৰীৰ সহযোগত নলবাৰী মহাবিদ্যালয়ৰ প্ৰভাত চন্দ্ৰ গোস্বামী প্ৰেক্ষাগৃহত আজি দ্বাদশ সংখ্যক আন্তঃ ৰাষ্ট্ৰীয় যোগ দিৱস অনুষ্ঠিত কৰা হয়। পুৱা ৬ বজাৰ পৰা আৰম্ভ হোৱা যোগভ্যাস অনুষ্ঠানৰ শুভাৰম্ভণি কৰে নলবাৰী জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সুদীপ নাথে। তদুপৰি যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মানৱ কুমাৰ চৌধুৰী, জিলা আয়ুস বিভাগৰ ন'ডেল বিষয়া ডাঃ হেমেন কুমাৰ শৰ্মা, জিলা প্ৰশাসন আৰু ভিন্ন বিভাগৰ বিভাগীয় বিষয়াসকল, বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষাৰ্থী আৰু অন্যান্য সকলৰ উপস্থিতিত ১২ সংখ্যক আন্তঃ ৰাষ্ট্ৰীয় যোগ দিৱস সুকলমে সম্পন্ন হয়। অতিৰিক্ত জিলা আয়ুক্ত সুদীপ নাথে যোগাসনৰ তাৎপৰ্যৰ সম্বন্ধে কয় যে যোগ হৈছে শৰীৰ আৰু মনৰ আধ্যাত্মিক অনুশীলন। যোগ আৰু প্ৰাণায়মৰ নিয়মিত অনুশীলনে মানুহক আধ্যাত্মিক আৰু মানসিকভাৱে শক্তিশালী কৰি তুলে। ই ৰাষ্ট্ৰ নিৰ্মাণতো গভীৰভাৱে প্ৰভাৱিত কৰিব পাৰে, সেয়ে নৱ প্ৰজন্মক যোগভ্যাসৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে আমি প্ৰচেষ্টা চলাব লাগে। ভাৰতবৰ্ষৰ মাননিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী মহোদয়ে কলকাতাত ১২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যক্ৰম উপস্থিত সকলোৱে অনলাইনযোগে প্ৰত্যক্ষ কৰে। নলবাৰী জিলাৰ সকলো চৰকাৰী চিকিৎসালয়ত ১২ সংখ্যক আন্তঃ ৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। আজিৰ অনুষ্ঠানতেই যোগ দিৱস উপলক্ষে অনুষ্ঠিত হোৱা যোগাসন প্ৰতিযোগিতাৰ বিজয়ী সকলক অতিৰিক্ত জিলা আয়ুক্ত আৰু যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে পুৰস্কাৰ তথা প্ৰশস্তি পত্ৰ প্ৰদান কৰে। মূলতঃ ০-১০ বছৰ, ১১-১৮ বছৰ, ১৯-৩৫ বছৰ আৰু ৩৬ বৰ্ষৰ উৰ্ধৰ সৰ্মমুঠ চাৰিটা শাখাত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। ০-১০ বছৰ শাখাত প্ৰথম স্থানত নমানন্দীপ ডেকা, দ্বিতীয় স্থানত ধৃতিস্মিতা ভট্টাচাৰ্য, তৃতীয় স্থানত ৰাণিণী বৰ্মন, ১১-১৮ বছৰ শাখাত প্ৰথম স্থানত ভূমিকা দেৱী, দ্বিতীয় স্থানত হিয়া ভৰদ্বাজ আৰু আইলিতা বৈশ্য, তৃতীয় স্থানত মৌচুম পৰাশৰ, ১৯-৩৫ বছৰ শাখাত প্ৰথম স্থানত চুমি দাস, দ্বিতীয় স্থানত দিপ্তী বৰা, ৩৬ বৰ্ষৰ উৰ্ধৰ শাখাত প্ৰথম স্থানত দলিছা মেধি বৈশ্য, দ্বিতীয় স্থানত দ্বীপজ্যোতি ডেকা আৰু বৰিবাণী বৈশ্যই তৃতীয় স্থান দখল কৰে। প্ৰণিধানযোগ্য যে বিশেষভাৱে সক্ষম লোকসকলৰ শাখাত প্ৰাপ্তি তালুকদাৰে স্থান দখল কৰে। উল্লেখ্য যে হোমাগ দত্তই আঁত ধৰা আজিৰ যোগ অনুষ্ঠানৰ সঞ্চালনা কৰে অংশুমনি ডেকা আৰু অজিত বৰ্মনে।

লণ্ডন খুলি ব্ৰাহ্মণ সম্প্ৰদায়ক অপমান কৰাক লৈ প্ৰতিক্ৰিয়া

নীট পৰীক্ষাৰ তালাচীৰ নামত নলবাৰীত নাভূত নাশ্ৰুত ঘটনা

অসম বাৰ্তা, নলবাৰী, ২১ জুন ঃ NEET পৰীক্ষাৰ তালাচীৰ নামত নলবাৰীত ঘটিল নাভূত নাশ্ৰুত ঘটনা। তিনি তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ নামত অনুষ্ঠিত কৰা NEET পৰীক্ষাৰ তালাচীৰ নামত সংঘটিত হ'ল পূৰ্বে কাহানিও নেদেখা ঘটনা। নলবাৰী চহৰৰ মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰত ঘটিল নাভূত নাশ্ৰুত ঘটনা। পৰীক্ষা কেন্দ্ৰত সোমোৱাৰ পূৰ্বে ঘটিল এনে অবাঞ্ছিত ঘটনা। পৰীক্ষাৰ্থী সকল পৰীক্ষা গৃহত সোমোৱাৰ পূৰ্বে চলোৱা হৈছিল তালাচী। তালাচীৰ নামত এগৰাকী ছাত্ৰৰ লণ্ডন খুলি দিয়াক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জিলাখনৰ চামতাৰ প্ৰাচুৰ্য্য ভৰদ্বাজ নামৰ ছাত্ৰ গৰাকীৰ স'তে আবন্ধীয়ে সংঘটিত কৰিলে এনে কাৰ্য। চামতা অঞ্চলৰ শিক্ষক অমল কুমাৰ শৰ্মা আৰু সহকাৰী অধ্যাপিকা ড° ৰুণুমী ভাগৱতীৰ একমাত্ৰ পুত্ৰ প্ৰাচুৰ্য্য বৰদ্বাজে পৰীক্ষা দিবলৈ আহিছিল নলবাৰী চহৰলৈ। নলবাৰী চহৰৰ মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰত সোমাইছিল। তিনি তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে পাৰ হৈ যোৱাৰ মুহূৰ্তত তালাচী চলোৱা হৈছিল ছাত্ৰজনক। তালাচীৰ নামত পৰীক্ষা কেন্দ্ৰত নিয়োজিত আৰক্ষীয়ে প্ৰাচুৰ্য্য ভৰদ্বাজৰ লণ্ডন খুলি পৰিয়ালৰ লোকক চমজি দিয়াক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তাৰ পিছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ছাত্ৰজনৰ মাতৃ ড° ৰুণুমী ভাগৱতীয়ে। ড° ভাগৱতীয়ে কয়, পূৰ্বে নীতি নিৰ্দেশনা বান্ধি দিয়া থাকিলে ছাত্ৰজনে লণ্ডন পিন্ধি নাহিলহেঁতেন। এনে কাম কৰাটো উচিত হোৱা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ দাবী কৰিছে ছাত্ৰজনৰ মাতৃ তথা বগাধৰৰ ব্ৰহ্ম কিয়াণ মহাবিদ্যালয়, জালাহৰ সহকাৰী অধ্যাপিকা ড° ৰুণুমী ভাগৱতীয়ে।

ৰহাত উলহ-মালহেৰে আন্তঃ ৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন

সুস্থ বাৰ্ধক্যৰ বাবে যোগাসন

অসম বাৰ্তা, ৰহা, ২১ জুন ঃ সমগ্ৰ বিশ্বৰ লগতে আজি ৰহাত উলহ-মালহেৰে উদযাপন কৰা হয় ১২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। এই বৰ্ষৰ মূল বাৰ্তা "সুস্থ বাৰ্ধক্যৰ বাবে যোগাসন" (Yoga for Healthy Aging)ক সৰোগত কৰি আজি যোগ দিৱসৰ মূল কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। সমজিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰহা পতঞ্জলি যোগ শিবিৰৰ সহযোগত ৰহা মহেন্দ্ৰ হাজৰিকা ভৱনত আয়োজিত এই কাৰ্যসূচীত ৰহা সম-জিলা আয়ুক্ত ড° অংকিতা বৰা লগতে ৰহা থানাৰ আৰক্ষী বিষয়া জ্যোতিষ কুমাৰ নাথ, ৰহা চক্ৰ বিষয়া বিশ্বজিৎ দত্ত, ৰহা পৌৰ সভা কাৰ্যবাহী বিষয়া ৰুদ্ৰজ্যোতি দাস, উপ পৌৰপতি অণিমা দাসৰ লগতে বিভিন্ন প্ৰশাসনৰ কেই বা গৰাকীও উচ্চ পদস্থ বিষয়া কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আমন্ত্ৰিত যোগগুৰু ৰামনিবাস শৰ্মা উপস্থিত হৈ সকলোকে বিভিন্ন আসন আৰু প্ৰাণায়ামৰ কৌশল প্ৰদৰ্শন কৰোৱাৰ লগতে ইয়াৰ শুদ্ধ চৰ্চাৰ নিয়মসমূহ শিকাই দিয়ে। ইয়াৰ জৰিয়তে কেনেকৈ বাৰ্ধক্যজনিত বিভিন্ন শাৰীৰিক আৰু মানসিক সমস্যা দূৰ কৰিব পাৰি আৰু এটা সুস্থ, সৱল তথা দীৰ্ঘ জীৱন লাভ কৰিব পাৰি, সেই সম্পৰ্কত এক অত্যন্ত গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়ায়। প্ৰশাসনৰ এই সময়োপযোগী প্ৰচেষ্টা আৰু সৰ্বসাধাৰণ ৰাইজৰ সামূহিক অংশগ্ৰহণে সমগ্ৰ ৰহা অঞ্চলটোতে এক ধনাত্মক আৰু স্বাস্থ্য সচেতন পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে।

মাজুলীৰ উত্তৰ পাৰৰ সোৱনশিৰি নৈৰ ভয়াৱহ খহনীয়াই গিলিছে মলয়া চাপৰি অঞ্চল

জলসম্পদ তথা অভিভাৱক মন্ত্ৰীৰ ৰহস্যজনক মৌনতাত মাজুলীত তীব্ৰ অসন্তুষ্টি

পানীত নামি অঞ্চলতোৰ মহিলাৰ বিধায়কৰ বক্তব্য তীব্ৰ প্ৰতিবাদ

অসম বাৰ্তা, মাজুলী, ২১ জুন ঃ ২০০১ চনৰ পৰাই সোৱনশিৰি নদীৰ খহনীয়াই এফালৰ পথাৰ খেতি পথাৰ গিলি নিচুকৰা কৰা অঞ্চলতোৰ জনসাধাৰণৰে বিহপুৰীয়া সমষ্টিৰ চৰ-চাপৰিত খেতি পথাৰ কৰি পোহপাল দিয়াৰ পিছত এতিয়া অঞ্চলটোত মানুহৰ ঘৰ দুৱাৰ খহনীয়াত জাহ যোৱাৰ উপক্ৰম হৈছে যদিও সংবাদ মাধ্যমত মাজুলীত খহনীয়া হোৱা নাই বুলি মন্তব্য কৰি সংবাদ মাধ্যম মিছা বাতৰি নকবিবলৈ ভীতি প্ৰদৰ্শন কৰা বিষয়টো গৰিজি উঠিল মহিলা সকল। তদুপৰি বিধায়ক গৰাকীৰ বিৰুদ্ধে মুকলিকৈ বিদ্ৰোহ আৰম্ভ কৰিলে মাজুলীত। অঞ্চলটোৰ মহিলা সকলে ওলাই আহি পানীত নামি "জল সম্পদ বিভাগ মুৰ্দাবাদ', 'ভুৱন গাম ধুঁচিয়াৰ', 'খহনীয়া প্ৰতিৰোধ লাগিবই' শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিলে সোৱণশিৰি নদীৰ বুকুত। নামনি মাজুলীৰ মলয়া চাপৰিত সোৱণশিৰি নদীয়ে সৃষ্টি কৰিছে ভয়ংকৰ গৰাখহনীয়া। দহখনতকৈও অধিক গাঁৱৰ জন-জীৱনৰ প্ৰতি সৃষ্টি কৰিছে ভাবুকিৰ। পানীত নামি জল সম্পদ বিভাগ আৰু বিধায়ক ভুৱন গামৰ বিৰুদ্ধে প্ৰতিবাদ খহনীয়াগ্ৰস্ত ৰাইজৰ। খৰ্গস্ত ৰাইজে অভিযোগ উত্থাপন কৰিছে মলয়া চাপৰিৰ বিভিন্ন ঠাইত দমাই থোৱা আছে পাৰ্কুপাইন আৰু জি'অ বেগা। এনে ভয়ংকৰ পৰিস্থিতিৰ মুখামুখি হ'বলৈ নিবিচাৰি বিধায়ক গৰাকীয়ে নৈপৰীয়া ৰাইজৰ অন্ধকাৰ ভৱিষ্যতলৈ থেলি দিয়া কাৰ্য আতি নিন্দনীয় আৰু এই পৰিস্থিতিৰ সমাধান কৰিবলৈ দাবী জনাইছে। অনাথা ইয়াৰ পিছত যিকোনো ধৰণৰ সিদ্ধান্ত ল'লে বিধায়ক গৰাকীয়েই দায়ি হ'ব বুলি সকীয়াই দিয়ে। ইফালে মাজুলীত খহনীয়াৰ তাণ্ডৱ, গৃহহীন হৈছে এটাৰ পিছত আনটো পৰিয়াল, দৈনিক ব্ৰহ্মপুত্ৰত জাহ গৈছে বিঘাই বিঘাই ভূমি। বিপদৰ সময়ত মৌনতা অবলম্বন কৰিছে মাজুলীৰ অভিভাৱক তথা জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে। বাৰিষা আৰম্ভৰ লগে লগে সমগ্ৰ মাজুলী জুৰি খহনীয়াই তীব্ৰ আতংকৰ সৃষ্টি কৰিছে। উজনি শালমাবাৰ পৰা নামনিৰ আঁহতগুৰি লৈকে ব্ৰহ্মপুত্ৰই তাণ্ডৱ চলাইছে ভকত চাপৰি, পদুমনি, মহৰিচুক, ভালুকমৰা, মলাপিন্ধা আদি অঞ্চলত ব্ৰহ্মপুত্ৰৰ আগ্ৰসনত বিগত সময়চোৱাত পৈতৃক ভেটি হৰুকৰাই হৈ বহুতো পৰিয়ালে, বহুতৰ খেতিমাটি এতিয়া নদীৰ মাজত, নামনি মাজুলী মহাবিদ্যালয়কে ধৰি কেইবাখনো শিক্ষানুষ্ঠান আৰু ৰাজহুৱা অনুষ্ঠানলৈ খহনীয়াৰ তীব্ৰ ভাবুকি আছিছে। এই বিপদৰ সময়ত মাজুলীবাসীয়ে মাজুলীৰ অভিভাৱক মন্ত্ৰী তথা জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁইৰ তৎকালীন মাজুলী ভ্ৰমণ আৰু খহনীয়া পীড়িত অঞ্চলসমূহত উপস্থিত হৈ জলসম্পদ বিভাগৰ জৰিয়তে খহনীয়া প্ৰতিৰোধৰ ক্ষিপ্ৰ ব্যৱস্থা কৰিব বুলি আশা কৰিছিল যদিও মাজুলীৰ অভিভাৱক মন্ত্ৰী গৰাকীৰ এই সংকট সময়ত মৌনতাই মাজুলীবাসীক হতাশ কৰিছে। মাজুলীৰ দৰে বানপানী আৰু খহনীয়া প্ৰবণ জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে জলসম্পদ মন্ত্ৰীগৰাকীকে মুখ্যমন্ত্ৰীয়ে দায়িত্ব অৰ্পণ কৰাত মাজুলীবাসীয়ে সন্তুষ্টি প্ৰকাশ কৰিছিল আৰু আশা কৰিছিল অভিভাৱক মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে দৃঢ় পদক্ষেপ গ্ৰহণ কৰি মাজুলীৰ বানপানী আৰু গড়াখহনীয়া সমস্যা এশ শতাংশ প্ৰতিৰোধৰ ব্যৱস্থা কৰিব। কিন্তু মন্ত্ৰীজনে দায়িত্ব লোৱাৰ পিছৰ পৰা তাৰ এক বিপৰীত ছবিহে মাজুলীবাসীয়ে প্ৰত্যক্ষ কৰিছে। মন্ত্ৰীজনে খহনীয়া খৰৰ লোৱাটো বাদেই অভিভাৱকৰ দায়িত্ব গ্ৰহণ কৰি সৌজন্যমূলক ভ্ৰমণো কৰা নাই মাজুলীত। ইমান এটা সমস্যাবহুল সমষ্টিৰ অভিভাৱক মন্ত্ৰী হৈ দায়িত্বলাভৰ প্ৰায় এমাহ ওচৰ চপাৰ সময়তো মাজুলীত উপস্থিত নোহোৱাটোৱে সমষ্টিটো উন্নয়ন আৰু সুৰক্ষাৰ প্ৰতি তেওঁৰ অনিহাকে প্ৰকাশ কৰিছে বুলি সচেতন মহলে মন্তব্য কৰিছে। তদুপৰি বৰ্তমান নামনি মাজুলীৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি জলসম্পদ আৰু ব্ৰহ্মপুত্ৰ বৰ্ডক হাতে কামে প্ৰতিৰোধৰ কামত লগোৱাৰ লগতে মাজুলীৰ সাম্প্ৰতিক পৰিস্থিতি মুখ্যমন্ত্ৰীক অৱগত কৰিব লাগিছিল কিন্তু তাৰ বিপৰীতে মন্ত্ৰীজন শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থাকি মাজুলীৰ সমস্যালৈ পিঠি দিছে। অভিভাৱক মন্ত্ৰী গৰাকীৰ এনে আচৰণত মাজুলীবাসী ক্ষুব্ধ হৈ পৰিছে আৰু তৎকালীন ভাৱে মাজুলীলৈ আহি খহনীয়াস্থলী পৰিদৰ্শনৰ লগতে বিজ্ঞানসম্মত স্থায়ী প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন

অসম বাৰ্তা, চেলেংহাট, ২১ জুন ঃ ১২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়, নামতিৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটে আজি মহাবিদ্যালয় চৌহদত যোগ দিৱস উদযাপন কৰে। এইবাৰৰ যোগ দিৱসৰ মূল বিষয়বস্তু আছিল "Yoga for Healthy Ageing" (সুস্থ বাৰ্ধক্যৰ বাবে যোগ)। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, NSS, NCC স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি বিভিন্ন যোগাসন আৰু প্ৰাণায়াম অভ্যাস কৰে। অংশগ্ৰহণকাৰীসকলক নিয়মিত যোগাভ্যাসৰ জৰিয়তে শাৰীৰিক আৰু মানসিক সুস্থাস্থ্য বজাই ৰখাৰ লগতে সুস্থ জীৱনশৈলী গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানৰ জৰিয়তে যোগৰ উপকাৰিতা সম্পৰ্কে সজাগতা সৃষ্টিৰ লগতে সকলোকে দৈনন্দিন জীৱনত যোগক অন্তৰ্ভুক্ত কৰাৰ আহ্বান জনোৱা হয়। সমগ্ৰ কাৰ্যসূচী ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ উদ্যোগত সফলতাৰে সম্পন্ন হয়।

দেৰগাঁৱৰ শিঙৰাজানত কলাগুৰুলৈ শ্ৰদ্ধাৰ্ঘ্য আৰু কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

অসম বাৰ্তা, দেৰগাঁও, ২১ জুন ঃ অসমীয়া জাতীয় জীৱনৰ দুগৰাকী বৰেণ্য শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰূপান্তৰৰ শিল্পী জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ স্মৃতি সৌধ হিচাপে দেৰগাঁও সমজিলাৰ অন্তৰ্গত শিঙৰাজান গাঁৱত প্ৰতিষ্ঠা কৰা বিষ্ণু জ্যোতি কেন্দ্ৰীয় গ্ৰাম্য পুথিভঁৰালত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদযাপন কৰি মহান শিল্পী গৰাকীক স্মৰণ কৰা হয়। বৃহত্তৰ দেৰগাঁও অঞ্চলৰ এগৰাকী প্ৰবীণ শিল্পী তথা একালৰ জনপ্ৰিয় অনাতঁৰ শিল্পী গিৰীশ মহন্ত দেৱে কলাগুৰুৰ প্ৰতিচ্ছবি বহি প্ৰজ্বলন কৰি অনুষ্ঠানটি শুভাৰম্ভ কৰে। বিষ্ণু জ্যোতি গ্ৰাম্য পুথিভঁৰালৰ প্ৰতিষ্ঠাপক সম্পাদক দেৱজিৎ কলিতাই আঁতৰধ্বনি আৰু প্ৰতিষ্ঠাপক সভাপতি পৃৰঞ্জয় গোস্বামী দেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত কেইবাগৰাকী বিশিষ্ট ব্যক্তি আৰু শিল্পীয়ে অংশগ্ৰহণ কৰে। বিশিষ্ট বাঁহীবাদক তথা গোলাঘাট জিলা গাঁও প্ৰধান সন্মিলনৰ সম্পাদক দিলীপ হাজৰিকা, সাংস্কৃতিকবান কৰ্মী তথা বিশিষ্ট সংবাদকৰ্মী অনাদি বৰঠাকুৰ, শিঙৰাজান গাঁও উন্নয়ন সমিতিৰ সভাপতি ভবেশ চন্দ্ৰ বৰা, কুৰালগুৰি সাহিত্য সভাৰ সভাপতি যজ্ঞেশ্বৰ শইকীয়াকে আদি কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা সুন্দৰ অনুষ্ঠানটোত কেইবাগৰাকী ছাত্ৰ ছাত্ৰীয়ে কলাগুৰুক স্মৰণ কৰি গীত পৰিবেশন কৰে। অনুষ্ঠানত উপস্থিত থকা শ্ৰাশ্বতী হাজৰিকা, শ্যামল কৃষ্ণ মহন্তই বাঁহীত বিষ্ণু প্ৰসাদ ৰাভাৰ সৃষ্টি কেইবাটাও গীত সুৰেৰে সজাই অনুষ্ঠানটি জীপাল কৰি তোলে। স্থানীয় উদয়ীমান শিল্পী অংশুমান কলিতাই ৰাভাদেৱৰ এটি অতি জনপ্ৰিয় গীত "জয়া নাই" শীৰ্ষক গীত পৰিবেশন কৰি অনুষ্ঠানটি অধিক আকৰ্ষণীয় কৰি তোলে। পাঙ্কী কলিতা, অঙ্গান বৰঠাকুৰ, সম্পতি কলিতা, পাৰিজাত কলিতাই ৰাভা সংগীত পৰিবেশন কৰে। বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীৰ লগতে ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা প্ৰায় ডেৰকুৰি স্থানীয় ছাত্ৰ ছাত্ৰীক বিষ্ণু জ্যোতি গ্ৰাম্য পুথিভঁৰাল পৰা অভিনন্দন জ্ঞাপন কৰা হয়। এই অভিনন্দন অনুষ্ঠানত ২০২৫ বৰ্ষৰ দেৰগাওঁ কমল দুৱৰা মহা বিদ্যালয়ৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্নাতক ডিগ্ৰী গ্ৰহণ কৰা চন্দনাশ্ৰী গৌতমে ছাত্ৰ ছাত্ৰীক অনুপ্ৰাণিত কৰিব পৰাকৈ নিদিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে।

সৃজনী স্বৰ সাধনালয় সৌজন্যত বিষ্ণু ৰাভা দিৱস উদযাপন

অসম বাৰ্তা, ৰহা, ২১ জুন ঃ ৰহাৰ অগ্ৰণী শাস্ত্ৰীয়, লঘু শাস্ত্ৰীয় আৰু অসমীয়া সুগম সঙ্গীতৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান 'সৃজনী স্বৰ-সাধনালয়'ৰ সৌজন্যত যোৱা ২০ জুন তাৰিখে চতুৰ্থ বাৰ্ষিক কলাগুৰু বিষ্ণু ৰাভা দিৱসটি দিনজোৰা কাৰ্যসূচীৰে ৰহাৰ প্ৰাঙ্গল মেম'ৰিয়েল একাডেমী প্ৰাঙ্গণত অনুষ্ঠিত হৈ যায়। বিষ্ণু ৰাভা দিৱস উপলক্ষে বস্তি প্ৰজ্বলন কৰে স্থানীয় সমাজকৰ্মী তথা প্ৰাঙ্গল মেম'ৰিয়েল একাডেমীৰ স্বত্বাধিকাৰী প্ৰভাত চন্দ্ৰ ভূঞাই। বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বহা মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ত্ৰিদীপ ৰবাই। বিষ্ণু ৰাভা দিৱসৰ লগত সঙ্গতি ৰাখি আয়োজন কৰা বিষ্ণু ৰাভা সঙ্গীত প্ৰতিযোগিতা খনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট অভিনেতা তথা নাট্যশিল্পী দিবচন লাল বৰুৱাই। প্ৰতিযোগিতা আৰম্ভ হোৱাৰ পূৰ্বে বিচাৰক হিচাপে উপস্থিত থকা অসমৰ উদীয়মান শিল্পী তথা সঙ্গীত পৰিচালক মনদীপ মহন্ত আৰু বিশিষ্ট অনাঁতাৰ শিল্পী কল্যাণী ডেকাৰ লগতে অনুষ্ঠানটোৰ উপদেষ্টা সাবিত্ৰী শইকীয়া দাস আৰু ৰিপুঞ্জয় মেধিক সুজনী পৰিয়ালৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় সংস্কৃত গীতিকবি বটাপ্ৰাপক ৰঞ্জন কুমাৰ বেজবৰুৱাৰ সংস্কৃতত পৰিবেশন কৰা 'বিশ্বৰ ছন্দে ছন্দে' শীৰ্ষক গীতত নৃত্য পৰিবেশন কৰে বৰ্ণিতা বৰাই। সঙ্গীত প্ৰতিষ্ঠানটোৰ সম্পাদিকা তথা মুখ্য প্ৰশিক্ষক মৈত্ৰেয়ী ডেকাই আঁত ধৰা সঙ্গীত প্ৰতিযোগিতা খনিত অসমৰ বিভিন্ন ঠাইৰ প্ৰায় ৮০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। বিষ্ণু ৰাভা সঙ্গীত প্ৰতিযোগিতাৰ 'ক' শাখাত বাজেন মহন্ত সৌৰৱণী প্ৰথম পুৰস্কাৰ লাভ কৰে সৃষ্টি চৰকাৰ, দ্বিতীয় পুৰস্কাৰ লাভ কৰে তনুশ্ৰী দীপাংকৰ আৰু ইন্দ্ৰাণী মহন্ত সৌৰৱণী তৃতীয় পুৰস্কাৰ লাভ কৰে বেচিৰ ৰাজ মাছাৰেঙে। 'খ' শাখাত লক্ষ্মীধৰ কলিতা আৰু ক্ষীৰদা কলিতা সৌৰৱণী প্ৰথম পুৰস্কাৰ লাভ কৰে অৰ্ণৱ গগৈ, চিনাম উৰিবা সিংহ সৌৰৱণী দ্বিতীয় পুৰস্কাৰ লাভ কৰে ধৃতি তপস্যা বৰুৱা, ৰবীন চন্দ্ৰ দাস সৌৰৱণী তৃতীয় পুৰস্কাৰ লাভ কৰে মানৱ হাজৰিকা আৰু বিচাৰকৰ প্ৰেৰণা বঁটা লাভ কৰে জুবলি বৰা আৰু ফাবহিন আজাদে। 'গ' শাখাত তৰুণ ডেকা সৌৰৱণী প্ৰথম পুৰস্কাৰ লাভ কৰে সৃষ্টি বৰদৈল, ললিতা পাৰৈ সৌৰৱণী দ্বিতীয় পুৰস্কাৰ লাভ কৰে প্ৰীতম দত্ত, অতুল চন্দ্ৰ ঠাকুৰীয়া সৌৰৱণী তৃতীয় পুৰস্কাৰ লাভ কৰে আয়ুশ্ৰী দাস আৰু বিচাৰকৰ প্ৰেৰণা বঁটা লাভ কৰে সৃষ্টি কানন অধিকাৰীয়ে। বিজয়ী প্ৰতিযোগী সকলক নগদ ধন, স্মাৰক আৰু মানপত্ৰৰে সন্মানিত কৰা হয়। সৃজনী স্বৰ-সাধনালয়ৰ উদ্যোগত আয়োজিত চতুৰ্থ বাৰ্ষিক বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীৰ আঁত ধৰে সঙ্গীত প্ৰতিষ্ঠানটোৰ অধ্যক্ষ পংকজ কুমাৰ পাৰৈয়ে। আজি অনুষ্ঠিত হোৱা এইগান্ডীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট নিবন্ধকাৰ যতীন্দ্ৰ কুমাৰ পাৰৈ, বহা আদৰ্শ শিশু বিকাশ কেন্দ্ৰৰ প্ৰধান শিক্ষয়িত্ৰী চয়নিকা ডেকা, বিশিষ্ট শিল্পী স্বৰ্ণলতা ভূঞা, সাংস্কৃতিক সংগ্ৰাক যতীন জোনাক শইকীয়া, জ্ঞানশ্ৰী দাস, ভাৰতীয় প্ৰতিৰক্ষা বিভাগৰ জ্যেষ্ঠ বিষয়া বৰ্ষা বৰুৱা প্ৰমুখে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ৰূপাই চাইডিঙত বিষ্ণু ৰাভা দিৱস উদযাপন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ ৰূপাই (শতদল) শাখা সাহিত্য সভা, সংগীত সতীৰ্থ মঞ্চ আৰু অসমীয়া যুৱ মঞ্চৰ যুটীয়া উদ্যোগত ৰূপাই চাইডিঙৰ সৌৰভ কলা পৰিষদ প্ৰেক্ষাগৃহত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি দিয়া বক্তব্যত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডম্বু প্ৰফুল্ল মেধিয়ে উল্লেখ কৰে যে বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথিৰ দিনটো গীত-মাত, কবিতাৰে অনুষ্ঠানেৰে উদযাপন কৰাৰ লগতে তেখেতৰ বিপ্লৱী সত্তাকো অসমীয়া ৰাইজে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেখেতৰ দ্বাৰা ৰচিত গীত, কবিতাসমূহ আজিও অতি প্ৰাসংগিক হৈ আছে। তেখেতৰ বচনাৱলী নিওঁজ দেশপ্ৰেমৰ মহত্ত্ব প্ৰতিফলিত হৈছে। ডুমডুমা আৰু ইয়াৰ কাষৰীয়া অঞ্চলতো তেখেতে পৰ্দাপণ কৰাৰ কথা তেখেতে উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিত ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত ৰূপাই (শতদল) শাখা সাহিত্য সভা, সংগীত সতীৰ্থ মঞ্চ আৰু অসমীয়া যুৱ মঞ্চৰ যুটীয়া উদ্যোগত ৰূপাই চাইডিঙৰ সৌৰভ কলা পৰিষদ প্ৰেক্ষাগৃহত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি দিয়া বক্তব্যত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডম্বু প্ৰফুল্ল মেধিয়ে উল্লেখ কৰে যে বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথিৰ দিনটো গীত-মাত, কবিতাৰে অনুষ্ঠানেৰে উদযাপন কৰাৰ লগতে তেখেতৰ বিপ্লৱী সত্তাকো অসমীয়া ৰাইজে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেখেতৰ দ্বাৰা ৰচিত গীত, কবিতাসমূহ আজিও অতি প্ৰাসংগিক হৈ আছে। তেখেতৰ বচনাৱলী নিওঁজ দেশপ্ৰেমৰ মহত্ত্ব প্ৰতিফলিত হৈছে। ডুমডুমা আৰু ইয়াৰ কাষৰীয়া অঞ্চলতো উপস্থিত ৰাইজে। এই অনুষ্ঠানত উপস্থিত থাকে অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক পৰমানন্দ ফুকন, তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি মনোজ গোহাঁই, সহকাৰী সাধাৰণ সম্পাদক অনুপম চাউৰৰ, সাংস্কৃতিক সম্পাদক গগন দহোতীয়া, তিনিচুকীয়া জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য সুখেন নেওগ, মাকুম শাখা সাহিত্য সভাৰ সম্পাদক দিগন্ত দাস, বৰহাপজান শাখা সাহিত্য সভাৰ সভাপতি মহেশ গোবালা, মন্দিৰা ৰাজখোৱা, ৰাজীৱ কুমাৰ শৰ্মা, সঞ্জীৱ কুমাৰ বৰুৱা, দীপালী গগৈ বৰুৱা, নলিনী বৰা, ঋতম দাস, ৰাজীৱ কুমাৰ শৰ্মা, নিৰেলিতা শ্যাম, চবিতা বৰা, গীতা বৰবৰা, কমী গগৈ কলিতা, পলি কলিতাৰ লগতে শতাধিক সংস্কৃতিপ্ৰেমী ব্যক্তি। "বিশ্বৰ ছন্দে ছন্দে মহানন্দে আনন্দে/নাচা, নাচা তমোহৰ দেউ নাচা" শীৰ্ষক এই অনুষ্ঠানটোত সংগীত শিল্পীসকলে পৰিবেশন কৰা সমবেত সংগীত পাছতে বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত গীত, তেখেতৰ গীতৰ আধাৰত নৃত্য আৰু কবিতা পাঠেৰে সজাই তোলে বিশিষ্ট শিল্পীসকলে। অনুষ্ঠানত ৰাভাৰ গীত পৰিবেশন কৰে মাধুৰ্য্য মহন্ত, প্ৰতীক্ষা ভৰদ্বাজ, হাৰ্লিনা বৰুৱা, জিনু গোহাঁই, সংগীতা চৌধুৰী, মৃণাল মৰাণ, অৰুণ জ্যোতি হাজৰিকা, মৌচুমী বৰুৱা, কমল দ্বীপ নেওগ, বিশ্বজিৎ কলিতাই। নৃত্য পৰিবেশন কৰে শিশু শিল্পী দীপান্বিতা বৰুৱা আৰু কমিষ্ঠা বৰবৰাই। কবিতা আবৃত্তি কৰে প্ৰিয়ঞ্জয় মহানন্দ, অনন্যা গগৈ, বিশিষ্ট কবি গীতালি খনিকৰ আৰু ৰাজীৱ লোচন বৰাই। অনুষ্ঠানটোৰ আঁত ধৰে অনুপ কুমাৰ বৰদৈলিয়ে।

দুলীয়াজানত টিপলিং-মাধৱপুৰ সংযোগী উৰণীয়া সেঁতু মুকলি

যাতায়াত ব্যৱস্থাত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা

অসম বাৰ্তা, দুলীয়াজান, উজনি অসমৰ গুৰুত্বপূৰ্ণ ঔদ্যোগিক চহৰ দুলীয়াজানৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাত এক নবযুগৰ সূচনা কৰি আজি টিপলিং আৰু মাধৱপুৰ সংযোগী নবনিৰ্মিত উৰণীয়া সেতু খন আনুষ্ঠানিকভাৱে ৰাইজৰ নামত উছৰ্গা কৰা হয়। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ফিতা কাটি এই গুৰুত্বপূৰ্ণ প্ৰকল্পটোৰ শুভাৰম্ভণি কৰে। এই সেতুখন মুকলি হোৱাৰ লগে লগে দুলীয়াজানবাসীৰ এক দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'ল। টিপলিং-মাধৱপুৰ সংযোগী এই উৰণীয়া সেতুখনে অঞ্চলটোৰ যাতায়াত ব্যৱস্থা পূৰ্বতকৈ বহু পৰিমাণে সুৰক্ষিত, দ্ৰুত আৰু সুগম কৰি তুলিব বুলি আশা কৰা হৈছে। কেৱল যাতায়াতেই নহয়, এইবুহৎ আন্তৰ্গাঁথনিমূলক প্ৰকল্পটোৱে সমগ্ৰ দুলীয়াজান আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলসমূহৰ আৰ্থ-সামাজিক উন্নয়নতো এক অভূতপূৰ্ব বৰঙনি যোগাব। যান-জটৈৰ পৰা মুক্তি পোৱাৰ লগতে ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰতো ইয়াৰ ব্যাপক ইতিবাচক প্ৰভাৱ পৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে এই সপোনৰ প্ৰকল্প বাস্তৱায়িত কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ উল্লেখ কৰে যে মুখ্যমন্ত্ৰীগৰাকীৰ দূৰদৰ্শী নেতৃত্ব, সবল সিদ্ধান্ত আৰু সৰ্বাংগীণ উন্নয়নৰ প্ৰতি থকা অটল দায়বদ্ধতাৰ বাবেই আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে দুলীয়াজানতো এনে বিহাংগম আন্তৰ্গাঁথনি গঢ় লৈ উঠিছে। চৰকাৰৰ উন্নয়নমুখী চিন্তাধাৰাৰ ফলতেই জনকল্যাণ মূলক প্ৰকল্পসমূহে নিৰ্ধাৰিত সময়ৰ ভিতৰতে বাস্তৱ ৰূপ পাবলৈ সক্ষম হৈছে বুলিও তেওঁ মন্তব্য কৰে। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অঞ্চলটোৰ কেই বা গৰাকীও জ্যেষ্ঠ জনপ্ৰতিনিধি উপস্থিত থাকে। ৰাজ্যসভাৰ সাংসদ তেৰছ গোৱালা, ডিব্ৰুগড় বিধানসভা সমস্তিৰ বিধায়ক ড° প্ৰশান্ত ফুকন, মৰাণ সমস্তিৰ বিধায়ক চক্ৰধৰ গগৈই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সমৱেত ৰাইজক উদ্দেশ্যি চৰকাৰৰ ধাৰাবাহিক উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙিধৰে। উদ্বোধনী অনুষ্ঠানটোত সহস্ৰাধিক উৎসাহিত ৰাইজৰ লগতে জিলা প্ৰশাসনৰ বিষয়া-বৰ্গ উপস্থিত থাকে। বহু প্ৰত্যাশিত এই উৰণীয়া সেতুখন মুকলি হোৱাৰ আনন্দত সমগ্ৰ দুলীয়াজান অঞ্চলতে এক উছৱমুখৰ আৰু আনন্দোল্লাসৰ পৰিবেশ বিৰাজ কৰা পৰিলক্ষিত হয়।

উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত ৭ দিনীয়া এন এছ এছ বিশেষ শিবিৰৰ শুভাৰম্ভ

অসম বাৰ্তা, উজনী মাজুলী, ২১ জুন ঃ উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ এন এছ এছ ইউনিটৰ উদ্যোগত ২১ জুনৰ পৰা ২৭ জুন, ২০২৬ লৈকে অনুষ্ঠিত হ'বলগীয়া ৭ দিনীয়া এন এছ এছ বিশেষ শিবিৰৰ শুভাৰম্ভ আজি মহাবিদ্যালয় চৌহদত অনুষ্ঠিত হয়। অনুষ্ঠানৰ উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° জাহ্নবী লহকৰ বৰুৱাই ভাৰ্চুৱেল মাধ্যমত অংশগ্ৰহণ কৰি আদৰণি ভাষণ প্ৰদান কৰে। তেওঁ এন এছ এছৰ সমাজসেৱামূলক কাৰ্যসূচীৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি স্বেচ্ছাসেৱক সকলক সমাজৰ উন্নয়নৰ বাবে দায়িত্বশীলভাৱে কাম কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ এন এছ এছ ইউনিটৰ কাৰ্যসূচী বিষয়া দীপাংক শইকীয়াই ৭ দিনীয়া বিশেষ শিবিৰৰ উদ্দেশ্য, কাৰ্যসূচী আৰু সমাজমুখী দিশসমূহৰ বিষয়ে বিশদভাৱে অৱগত কৰে। উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক অৰুণ বৰা, ড° উপেন বৰা, টংকেশ্বৰ পাঠক আৰু প্ৰিয়াম্বী স্বৰ্গীয়াৰী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি এক যোগাভ্যাস কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়। যোগ প্ৰশিক্ষক প্ৰফুল্ল ৰাজবংশীয়ে সমল ব্যক্তি হিচাপে উপস্থিত থাকি স্বেচ্ছাসেৱক সকলক বিভিন্ন যোগাসন আৰু প্ৰাণায়ামৰ অনুশীলন কৰায়। ৬০ জনতকৈ অধিক এন এছ এছ স্বেচ্ছাসেৱকে এই কাৰ্যসূচীত উৎসাহেৰে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোৱে স্বেচ্ছাসেৱক সকলৰ মাজত শৃংখলা, সমাজসেৱা, নেতৃত্বদানৰ ক্ষমতা আৰু সুস্থ জীৱনশৈলীৰ প্ৰতি সজাগতা বৃদ্ধিত ইতিবাচক ভূমিকা গ্ৰহণ কৰে।

প্ৰকট গৰমত জীৱ-জন্তুবোৰৰ বাবে কল্পজ্যোতি ফাউণ্ডেচনৰ পৰা প্ৰশংসনীয় পদক্ষেপ

অসম বাৰ্তা, গৌৰীপুৰ, ২১ জুন ঃ ভাৰতবৰ্ষৰ লগতে অসমতো গৰমত দহিছে বাজ্যবাসীয়ে। আৰু এই গৰমত বাটৰ জীৱ জন্তুবোবোৰে বহুত অসুবিধাৰ সমুখিন হোৱা বুলি দেখা গৈছে। এই প্ৰচণ্ড গৰমৰ তুষাৰ্ত পথৰ কুকুৰ-মেকুৰী, চৰাই-চিৰিকটি আন্যান্য বিপৰ্যগ্ৰী পশুৰ বাবে অলপ খোৱা পানীৰ পানৰ বাবে উল্লেখযোগ্য উদ্যোগ গ্ৰহণ কৰে ধুবৰীৰ কল্পজ্যোতি ফাউণ্ডেচনে। এই ফাউণ্ডেচনটোৰ স্বেচ্ছাসেৱকসকলে ধুবৰী আৰু গৌৰীপুৰ চহৰৰ বিভিন্ন স্থানত মাটিৰ পাত্ৰত পানীৰ ব্যৱস্থা কৰি জীৱ জন্তুবোবক পানী যোগান ধৰিছে। এই তীব্ৰ তাপদাহত বাটত ঘূৰি ফুৰা জীৱ জন্তু সকলৰ অৱস্থা অত্যন্ত শোচনীয় হৈ পৰে। অলপ পানীৰ অভাবত বহুতো চৰাই চিৰিকটি দুৰ্বল হৈ পৰে। আৰু এই পৰিস্থিতিত কল্পজ্যোতি ফাউণ্ডেচনৰ স্বেচ্ছাসেৱকসকলে মানৱীয়তাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰিলে। স্বেচ্ছাসেৱক সকলোৱে নিজৰ উদ্যোগত বাস্তাৰ বিভিন্ন চকত, উদ্যানত, বাস্তাৰ কাষত আৰু জনবহুল ঠাইত মাটিৰ পাত্ৰত পৰিষ্কাৰ পানীৰ ব্যৱস্থা কৰিছে বুলি দেখা গৈছে। আৰু পাত্ৰবোৰ নিয়মীয়াকৈ পৰিষ্কাৰ কৰাৰ লগতে পানী ভৰ্তি ৰখাৰ দায়িত্বও স্বেচ্ছাসেৱকসকলে গ্ৰহণ কৰিব বুলি উল্লেখ কৰে উপস্থিত সদস্য সকলে। আৰু লগতে কল্পজ্যোতি ফাউণ্ডেচনৰ সদস্য সকলে উল্লেখ কৰে যে, "এই গৰমৰ এই সময়ত জীৱ জন্তুবোবেও আমাৰ দৰে সময়ত অলপ পানী পান কৰিব নোৱাৰিলে বহুত কষ্ট পায়। সেয়েহে এই স্বেচ্ছাসেৱী সংগঠনৰ সদস্য সকলে হিচাপে যিমান সমাজৰ এই সব উদ্দেশ্যৰ কামবোবত যিমান কৰিব পাৰিব সিমানেই জীৱ জন্তুৰ হৈ কাষত থিয় দিব বুলিও উল্লেখ কৰে। আৰু কয় যে যদি এই সৰু উদ্যোগৰ জৰিয়তে কেইটামান প্ৰাণ সুস্থ হৈ থাকে, তেন্তে আমাৰ প্ৰয়াস সাৰ্থক হ'ব" ইফালে অঞ্চলটোৰ স্থানীয় বাসিন্দাসকলে এই উদ্যোগক স্বাগত জনাইছে। বহুতে ইতিমধ্যেই জনাইছে যে তেওঁলোকেও এই কাৰ্যসূচীত সহযোগিতা কৰিব আৰু প্ৰয়োজন হ'লে পানী ভৰি দিব। পৰিবেশ আৰু পশুপ্ৰেমীসকলৰ মতে, এনে ধৰণৰ উদ্যোগে সমাজত এক ইতিবাচক প্ৰভাৱ পেলাব আৰু মানুহৰ মাজত সহমৰ্মিতাৰ ভাৱ জাগ্ৰত কৰিব বুলি। আৰু ফাউণ্ডেচনৰ উপস্থিত সদস্য সদস্যা সকলে জনাই যে এই কাৰ্যসূচী অব্যাহত থাকিব এইকেইদিন। এই গৰমৰ ঋতু ভুৰি তেওঁলোকে আৰু অধিক স্থানত পানীৰ ব্যৱস্থা কৰাৰ পৰিকল্পনা কৰিছে ইতিমধ্যে। সংগঠনটোৰ সকলোকে এই উদ্যোগত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এই প্ৰচণ্ড গৰমত মানুহৰ লগতে পশুৰ প্ৰতিও যত্নবান হোৱা যে কিমান জৰুৰী আৰু কল্পজ্যোতি ফাউণ্ডেচনৰ এই উদ্যোগ তাৰেই জ্বলন্ত উদাহৰণ বুলিও উল্লেখ কৰে।

দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (SSB) ৰঙিয়াত বৃহৎ যোগ শিবিৰৰ আয়োজন

অসম বাৰ্তা, মঙলদৈ, ২১ জুন ঃ দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (SSB) ৰঙিয়াৰ বাহিনী মুখ্য কাৰ্যালয় আৰু ইয়াৰ সকলো সীমা চকী (BOP) ত যোগা শিবিৰৰ আয়োজন কৰা হয়। এই উপলক্ষে বাহিনীৰ বিষয়া, জোৱান তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যৰ লগতে স্থানীয় নাগৰিক সকলে উৎসাহেৰে অংশগ্ৰহণ কৰে। "সুস্থ শৰীৰ, শান্ত মন আৰু শক্তিশালী ৰাষ্ট্ৰ গঢ়াৰ সংকল্প" শীৰ্ষক উদ্দেশ্য আগত ৰাখি আয়োজিত এই যোগ কাৰ্যসূচীত বাহিনী মুখ্য কাৰ্যালয়, ৰঙিয়াত মুঠ ১৮০জন কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও সকলো সীমা চকীত ২৬৩জন কৰ্মচাৰী আৰু বাহ্যিক দায়িত্বত নিয়োজিত কোম্পানীসমূহৰ ৬৬জন কৰ্মচাৰীয়ে যোগাভ্যাসত অংশ লয়। কাৰ্যসূচীত ১২০ জন সন্দীক্ষা সদস্যই উৎসাহেৰে অংশগ্ৰহণ কৰি যোগৰ গুৰুত্ব আৰু সুস্থ জীৱনশৈলীৰ বাৰ্তা প্ৰচাৰত সহায় আগবঢ়ায়। যোগ দিৱস উপলক্ষে সীমান্তৰ্বতী অঞ্চলসমূহত SSB আৰু নাগৰিকসকলৰ মাজত সমন্বয় আৰু জনসচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বিভিন্ন সীমা চকীত আয়োজিত যোগ কাৰ্যসূচীত মুঠ ৩৪০জন স্থানীয় নাগৰিকে SSB জোৱানসকলৰ সৈতে একেলগে যোগাভ্যাস কৰে। এই উপলক্ষে বাহিনীৰ সকলো কৰ্মচাৰীয়ে মাননিয় প্ৰধানমন্ত্ৰীদেৱৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠান ইউটিউব যোগে সম্প্ৰচাৰ দৰ্শন কৰে আৰু যোগক দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংশ হিচাপে গ্ৰহণ কৰাৰ সংকল্প গ্ৰহণ কৰে। দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কেৱল শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতি সজাগতা বৃদ্ধিৰ মাধ্যম হিচাপেই নহয়, SSB আৰু সীমান্তৰ্বতী অঞ্চলৰ নাগৰিকসকলৰ মাজত পাৰস্পৰিক বিশ্বাস, সহযোগিতা আৰু সৌহাৰ্দ্য অধিক সুদৃঢ় কৰাৰ এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপেও পৰিগণিত হয়।

যোগাভ্যাসে মন আৰু প্ৰকৃতিৰ মাজত মিলন ঘটাই; কৃতি যোগ খেলুৱৈৰ মাজত বঁটা বিতৰণ-সম্বৰ্দ্ধনা

নগাঁৱৰ যোগ দিৱসত অংশ ল'লে মন্ত্ৰী কেশৱ মহন্তই

অসম বাৰ্তা, পুৰণিগুদাম, ২১ জুন ঃ "যোগাভ্যাসে মানুহৰ মন আৰু প্ৰকৃতিৰ মাজত, আত্মা আৰু পৰমাত্মাৰ মাজত সংযোগ স্থাপন কৰে। সেয়ে যোগাভ্যাসক জীৱন ধাৰণৰ অংশ কৰি লব লাগে।" আজি দ্বাদশ আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ সহযোগত নগাঁও চহৰৰ আৰক্ষী ছাউনীৰ মুকলি প্ৰেক্ষাগৃহত আয়োজিত জিলাৰ কেন্দ্ৰীয় অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা তথা বিজ্

বিহন দৈমাৰীক সভাপতি, ডঃ ৰমেশ দাহলক কাৰ্য্যকৰী সভাপতি আৰু সঞ্জীৱ ছেত্ৰীক সাধাৰণ সম্পাদক হিচাপে লৈ অভ্যৰ্থনা সমিতি গঠন

অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ ২৮ তম্ ত্ৰি-বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি ওদালগুৰিত

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২২ জুন ঃ অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ ২৮তম্ ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় মহাধিবেশন এই বেলি বিটিচিৰ ওদালগুৰি জিলাত দুই কোটি টকা ব্যয়েটোৰে আয়োজন কৰা সিদ্ধান্ত গ্ৰহণ কৰি ২১ জুন তাৰিখে অভ্যৰ্থনা সমিতি গঠন কৰা হয়। অসম গোৰ্খা সন্মিলন ওদালগুৰি জিলা সমিতিৰ সভাপতি পৰুন লুইটেনৰ সভাপতিত্বত অনুষ্ঠিত অভ্যৰ্থনা সমিতি গঠন সভা পৰিচালনা কৰে জিলা সমিতিৰ সাধাৰণ সম্পাদক ভবেন ছেত্ৰীয়ে। গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ মুখ্য সাধাৰণ সম্পাদক লক্ষ্মী চেঁড়ৈহিয়ে কেন্দ্ৰীয় সমিতিৰ কাৰ্য্য বিবৰণী উল্লেখ কৰি সাংগঠনিক দিশত অসম গোৰ্খা সন্মিলনে জাতিৰ হকে বিভিন্ন বিষয়ত চৰকাৰৰ ওচৰত দাবী সমূহ উপস্থাপন কৰি আছে আৰু অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মায়েও গোৰ্খা সন্মিলনৰ দাবী সমূহ ক্ৰমান্বয়ে সমাধান কৰি গোৰ্খা সকলৰ দীৰ্ঘ দিনীয়া সমস্যা সমাধানত গুৰুত্ব দিয়া বুলি সভাত বক্তব্য আগবঢ়ায়। গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ সভাপতি কৃষ্ণ ভুজেল মুখ্য অতিথিৰূপে উপস্থিত থাকি গোৰ্খা সন্মিলনৰ সাংগঠনিক দিশ উন্নতিকৰাৰ লগতে গোৰ্খা জনগোষ্ঠী ভিতৰত থকা বিভিন্ন উপজাতি সকলৰ আৰ্থ সামাজিক ব্যৱস্থাত চৰকাৰৰ অনুকম্পা থকা বুলি উল্লেখ কৰাৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত অসমৰ অন্যান্য জনগোষ্ঠীৰ লগতে গোৰ্খা জনগোষ্ঠীকো ৰাজনৈতিক আৰু প্ৰশাসনিক দিশত আগুৱাই নিয়াত সহায় কৰা বুলি সভাত বক্তব্য আগবঢ়ায়। উক্ত অভ্যৰ্থনা সমিতি গঠন সভাত অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যকৰী সভাপতি প্ৰেম শৰ্মাকে ধৰি কেন্দ্ৰীয় উপসভাপতি, সাধাৰণ সম্পাদক, সম্পাদক, বিটিচি ক্ষেত্ৰীয় সমিতিৰ সভাপতি পিতাম্বৰ পাঠক, সাধাৰণ সম্পাদক ভূবন ধমলাৰ লগতে সমিতিৰ উপ সভাপতি, সম্পাদক, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক সোমৰাজ সোণাৰ, বিটিচি ক্ষেত্ৰীয় সমিতিৰ সভাপতি ৰোহিত কুমাৰ দাহাল, উপ সভাপতি পূৰ্ণ বিষ্ট, ওদালগুৰি জিলা সমিতিৰ সভাপতি ৰাম ছেত্ৰী, সাধাৰণ সম্পাদক কিশোৰ চিৰ্পালীৰ লগতে সমিতিৰ নেতৃত্ব সকল, অসম নেপালী সাহিত্য সভা কেন্দ্ৰীয় সমিতিৰ সাহিত্য সম্পাদক লক্ষ্মণ অধিকাৰি, কাৰ্য্যকৰী সদস্য ৰাম উপাধ্যায়, বিটিচি ক্ষেত্ৰীয় সমিতিৰ সভাপতি ভীষ্ম উপাধ্যায়, ওদালগুৰি জিলা সমিতিৰ সভাপতি তিল বাহাদুৰ ছেত্ৰী, সাধাৰণ সম্পাদক দিপেন্দ্ৰ সাপকোটা, মহিলা প্ৰকোষ্ঠ সমিতিৰ সভানেত্ৰী কল্পনা শৰ্মা, ভাৰতীয় গোৰ্খা পৰিসংঘ বিটিচি ক্ষেত্ৰীয় সমিতিৰ সভাপতি গঙ্গা পৌডেল, অসম গোৰ্খা সন্মিলন মহিলা প্ৰকোষ্ঠ সমিতিৰ সভানেত্ৰী অঞ্জু দেবী, কাৰ্যকৰিণী সভানেত্ৰী ডঃ তম্ৰা শৰ্মা, ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পৃষ্পধৰ বীঠতোলোৰ লগতে বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত ওদালগুৰিৰ বিশ্বশান্তি নেপালী বিদ্যা মন্দিৰ চৌহদত থকা গোৰ্খা প্ৰেক্ষাগৃহত অনুষ্ঠিত অভ্যৰ্থনা সমিতি গঠন সভাত সভাৰ সৰ্ব সম্মতিক্ৰমে বিটিচিৰ উপ মুখ্য কাৰ্য্যবাহী সদস্য তথা ওদালগুৰি বিধানসভা সমষ্টিৰ বিধায়ক বিহন দৈমাৰিক সভাপতি, ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা মহাবিদ্যালয়ৰ প্ৰবক্তা ডঃ ৰমেশ দাহালক কাৰ্য্যকৰী সভাপতি আৰু বিশিষ্ট যুৱ নেতা সঞ্জীৱ ছেত্ৰীক সাধাৰণ সম্পাদক পদত নিৰ্বাচিত কৰি অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ ২৮তম কেন্দ্ৰীয় মহাধিবেশণৰ অভ্যৰ্থনা সমিতি গঠন কৰা হয়। প্ৰথম পৰ্য্যায়ত সভাপতি, কাৰ্য্যকৰি সভাপতি আৰু সাধাৰণ সম্পাদক নিৰ্বাচিত কৰা হিচাপে পৰৱৰ্তী সময়ত পুনৰ ১৫০জন বিশিষ্ট ব্যক্তি সকলৰ লৈ অভ্যৰ্থনা সমিতিৰ পূৰ্ণাংগ সমিতি গঠন কৰা হ'ব বুলি অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিয়ে জানিবলৈ দিয়ে। উক্ত সভাত অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাংসদ আৰ পি শৰ্মাও উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

পদুমণিত শিক্ষক প্ৰকাশন সংস্থা অসমৰ বঁটা প্ৰদান সভা

অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২২ জুন ঃ অসমৰ এক অগ্ৰণী সামাজিক সংস্থা 'শিক্ষক প্ৰকাশন সংস্থা অসম'ৰ উজনি অসম ভিত্তিক এক বঁটা প্ৰদান সভা আজি ২১ জুনত লখিমপুৰ জিলাৰ শ্ৰীশ্ৰী পদুমণি আই থান ৰংগমঞ্চত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সংস্থাৰ সভানেত্ৰী মালিনী শইকীয়াই। সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই সংস্থাৰ মুখ্য সম্পাদক মুদুল শইকীয়াই। সভাৰ উদ্বোধন কৰে হোজাই জিলাৰ বিশিষ্ট গৱেষক ডঃ আব্দুল চামাদ গণিয়ে। সাংবাদিক দিপ প্ৰতিম বৰাই আঁত ধৰা সভাত উজনি অসমৰ প্ৰায় ৮০ গৰাকী বঁটা প্ৰাপকক সমাজ হাতেষী বঁটা, সাহিত্য সুবভি বঁটা, সুগন্ধি কাব্য বঁটা, জীৱন সমুদ্ৰ বঁটা, মানৱ দৰদী বঁটা, শুৰু চৰিত্ৰ বঁটা, সত্যনিষ্ঠ সাংবাদিকতা বঁটাকে ধৰি অন্যান্য কেইবাটাও বঁটা প্ৰদান কৰা হয়। আনহাতে, বিভিন্ন প্ৰতিভাৰ বাবে সংস্থাৰ বৰফৰ পৰা কেইবাগৰাকী লোকক বিশেষ পুৰস্কাৰো প্ৰদান কৰা হয়। এই সভাতেই পৰ্টেল চেনেল আছান্মিছ টকছ্ নাৱৰ বৰফৰ পৰা সংস্থাৰ মুখ্য সম্পাদক মুদুল শইকীয়া, কাৰ্যকৰী সভাপতি বশিষ্ট মুনি ৰামদেৱ আৰু গৱেষক ডঃ আব্দুল চামাদ গণিকক সমাজকৰ্মী বঁটা প্ৰদান কৰা হয়। সভাত শিক্ষক প্ৰকাশন সংস্থা অসমৰ বিভিন্ন বিষয়বৰীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক, শিল্পী, সমাজকৰ্মী, কবি, সাহিত্যিক আদি উপস্থিত থাকে।

সংস্কৃত পণ্ডিত ব্যাকৰণ শাস্ত্ৰী জ্যোতিষী যাদৱ ভাগৱতীক মাজুলী জিলা সাংবাদিক সন্থাৰ সম্বৰ্ধনা

অসম বাৰ্তা, বনগাঁও, ২২ জুন ঃ দেৱভাষা স্বৰূপ সংস্কৃত ভাষা বিকাশৰ বাবে জীৱনৰ সৰহখিনি সময় উৎসৰ্গিত কৰা দক্ষিণ পাট কলিতা গাঁও নিবাসী যাদৱ ভাগৱতী ব্যাকৰণ শাস্ত্ৰীক আজি ২২ জুন সোমবাৰে জিলা সাংসবাদিক সন্থাৰ তৰফৰ পৰা আন্তৰিক সম্বৰ্ধনা জনোৱা হয়। মাজুলীৰ ধূলি-বালিৰ মাজতে শৈশৱৰ পৰা সত্তৰটা বছৰ অতিক্ৰম কৰা এইগৰাকী ব্যক্তিয়ে বিনা বেতনেৰে দক্ষিণপাট হাইস্কুলত সেৱা আগবঢ়োৱাৰ উপৰি দক্ষিনপাট সত্ৰ নৰদৰে সংস্কৃত টোলত শিক্ষকতাৰে চৰকাৰী কৰ্মজীৱনৰ পাতনি মেলে। ইয়াৰ উপৰিও নিজৰ যোগ্যতাৰ ভিত্তিত উক্ত শিক্ষানুষ্ঠানটিত অধ্যক্ষৰ আসনত অধিষ্ঠিত হৈ অৱসৰ গ্ৰহণকৰে। শিক্ষকতাৰ সমান্তৰাল গতিৰে সমাজৰ কামত আত্মনিয়োগ কৰা ভাগৱতীদেৱ এগৰাকী জ্যোতিষী হিচাপেও সুনাম আছে। দক্ষিণপাট সত্ৰৰ প্ৰপন্ন শিষ্য ভাগৱতী সত্ৰখনিৰ সকলোবোৰ অনুষ্ঠানৰ লগত সম্পৰ্ক ৰক্ষাকৰি শিষ্যৰ সেৱা আগবঢ়ায়। কিছু শাৰীৰিক অসুস্থতাৰ বাবে জিলা সাংবাদিক সন্থাই পূৰ্বতে ঘোষণা কৰা অনুযায়ী নিজা গৃহতে সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্তৰ নেতৃত্বত যোৱা এটি সভাতি দলে সম্বৰ্ধনা জ্ঞাপন কৰে। এখন অংগবস্ত্ৰ সম্বৰ্ধনা পত্ৰ আৰু এটি স্মাৰক অৰ্পন কৰি দলটিয়ে সুস্থাস্থ্য কামনা কৰে। সজাতি দলটিৰ ওচৰত সম্বৰ্ধিত ব্যক্তি ভাগৱতীয়ে মনৰ অনুভৱ প্ৰকাশ কৰি সাংবাদিক সন্থাৰ নিৰীক্ষণত তেখেতক সম্বৰ্ধনাৰ বাবে নিৰ্বাচন কৰাত আবেগিকহৈ নিজৰ অনুভূতি প্ৰকাশ কৰে। জীৱনৰ বিয়লি বেলাত সন্থাই আগবঢ়োৱা মৰম ও সামাজিক স্বীকৃতিত অতিশয় সন্তোষ প্ৰকাশ কৰে। সমাজত সন্থাই দেখুৱা আদৰ্শ সদায় চিৰদিন জিলিকি থাকিব আৰু সন্থাৰ দীৰ্ঘায়ু কামনা কৰে।

কলাভূমী মাজুলীৰ 'গুৰুগৃহ'ৰ বাৰ্ষিক পৰীক্ষাৰ ফলাফল ঘোষণা

অসম বাৰ্তা, সোণাপুৰ, ২২ জুন ঃ মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰী গড়মুৰ সত্ৰৰ এক অগ্ৰণী সাংস্কৃতিক প্ৰতিষ্ঠান তথা সত্ৰীয়া একাডেমী, কলাভূমী মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয় 'গুৰুগৃহ'ৰ ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাৰ্ষিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। ১৯৯২ চনত প্ৰতিষ্ঠা লাভ কৰা এই শিক্ষানুষ্ঠানত সত্ৰীয়া গায়ন, বাদন, নৃত্য আৰু চিত্ৰকলা বিষয়ত শিক্ষা প্ৰদান কৰা হয়। প্ৰতিষ্ঠালগ্নৰে পৰা শতাধিক ছাত্ৰ-ছাত্ৰী এই বিদ্যালয়ৰ পৰা কৃতিত্বসহকাৰে উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত সুখ্যাতি অৰ্জন কৰিছে। এইবাৰৰ পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণতাৰ হাৰ বজাই ৰাখি মুঠ ৭১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতা (ডিষ্টিংচন) লাভ কৰাৰ বিপৰীতে ২৪ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। চিত্ৰকলা বিষয়ত শ্ৰীমতী নিজৰা মিলি আৰু নিবিবিলি হাজৰিকাই 'বিশাৰদ' ডিগ্ৰী লাভ কৰে। উল্লেখযোগ্য যে, নিজৰা মিলিয়ে ২০২৩ বৰ্ষত সাঁচিপতীয়া পুথিচিত্ৰ বিষয়ত ৰাষ্ট্ৰীয় জলপানি (CCRT Scholarship) লাভ কৰি এই ক্ষেত্ৰত অসমৰ প্ৰথমগৰাকী ছাত্ৰী হিচাপে স্বীকৃতি লাভ কৰিছিল। ইয়াৰ উপৰিও, কলাভূমী মাজুলীৰ অধীনত নতুন দিল্লীৰ চানেকি কলাকেন্দ্ৰৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৮ গৰাকীয়ে বিশেষ পাৰদৰ্শিতা (ডিষ্টিংচন) আৰু এগৰাকীয়ে প্ৰথম বিভাগ লাভ কৰিবলৈ সক্ষম হয়। গুৰুগৃহৰ অধ্যক্ষ মৃদুল বৰুৱা আৰু সহ-শিক্ষয়ত্ৰী জুলি ভৰালীয়ে সফলতাৰে উত্তীৰ্ণ হোৱা সকলো ছাত্ৰ-ছাত্ৰীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰে।

ডিব্ৰুগড়ত চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ জুন ঃ ডিব্ৰুগড়ৰ অন্যতম সামাজিক অনুষ্ঠান চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বাৰ্ষিক সভাৰ আয়োজন কৰা হয়। এই উদ্দেশ্যে আজি ডিব্ৰুগড় ঈদগাহ ময়দান প্ৰেক্ষাগৃহত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। সভাৰ আৰম্ভণিতে টোকত আলিব কোৰআন তিলাৱতেৰে কাৰ্য্যসূচীৰ পাতনি মেলা হয়। সভাপতি চেহিৰ আহমেদে সঞ্চালনা কৰা সভাত উপসভাপতি আব্দুল খালেকে আলোচনাৰ পাতনি মেলি বিগত বছৰবোৰৰ বিস্তৃত খতিয়ান দাঙি ধৰে। সভাত চেণ্টাৰৰ বয়োজ্যেষ্ঠতম সদস্য আব্দুল হকে কয় যে নিজ ধৰ্মৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে অন্যান্য ধৰ্মৰ বিষয়েও চিন্তা চৰ্চা কৰা একান্ত প্ৰয়োজন আছে। অনুষ্ঠানৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য, বিশিষ্ট সাংবাদিক ইকবাল আহমেদে কয় যে মূচলন্ত সমাজখনক আগবঢ়াই নিবলৈ নব প্ৰজন্মক সুশিক্ষাৰে আগবঢ়াই নিব লাগিব। সদস্য, বিশিষ্ট চিকিৎসক ডাঃ ইন্টিকাবুৰ ৰহমানে চেণ্টাৰৰ মুখপত্ৰ "অনুভূতি"খন বিভিন্ন অঞ্চলৰ লৈ পাৰিলে ইয়াৰো সমাজখনক বেলেগ সম্প্ৰদায়ে বুজি পোৱাত সহায়ক হ'ব বুলি বক্তব্য কৰে। লগতে তেওঁলোকৰ সমাজক কলুষিত কৰা ড্ৰাগছ সেৱনৰ দৰে ব্যাধি সমূহ আঁতৰোৱাৰ ক্ষেত্ৰত বিভিন্ন অঞ্চলৰে গৈ সজাগতা সভাৰ আয়োজন কৰাৰ পোষকতা কৰে। এই ক্ষেত্ৰত তেওঁ নিজেও সংগ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাত নতুন সদস্য তথা নিয়োগ বিনিময় কেন্দ্ৰৰ অৱসৰী বিষয়া চিতাৰা খাতুনে মহিলা সকলোকো অনুষ্ঠানটিৰ কাৰ্য পালনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰাৰ পৰামৰ্শ দিয়ে। জ্যেষ্ঠ সদস্য, অৱসৰী বন বিষয়া মুহিবুল আহমেদে চেণ্টাৰৰ মূল প্ৰতিষ্ঠাপক, বিশিষ্ট চিন্তাবিদ, ডাঃ মছউদুল হকৰ সকলো লেখন একত্ৰিত কৰি এখন সংকলন উলিয়াবলৈ আহ্বান জনায়। সদস্য নাচিমুল গনিয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন মাহেকীয়া "বুলেটিন" প্ৰকাশ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত (সদস্য সকল) আব্দুল মজিদ, ৰফিক আহমেদ, বেহেনা বানু, মুহিবুল ছচৈন, চৌকত আলি, ইমৰাণ ছছইন, আজিমুদ্দিন আহমেদকে আদি কৰি কেবাগৰাকীও সদস্যই বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। সভাত ভাৰপ্ৰাপ্ত সম্পাদক, অধিবক্তা আব্দুল চাজিদে সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰাৰ উপৰিও সামৰণিত শলাগৰ শৰাই আগবঢ়ায়।

শিৱসাগৰত সেউজ কোঁৱৰ পৰাগ চলিহাৰ মৃত্যু দিৱস উদ্‌যাপন

স্বদেশ আৰু স্বজাতিক ভালপোৱা এগৰাকী উদাৰ ধৰ্মনিৰপেক্ষ চিন্তা নায়ক আছিল পৰাগ চলিহা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২২ জুন ঃ শিৱসাগৰৰ চাওলুং চুকাফা ইনডৰ ষ্টেডিয়াম প্ৰাংগণত যোৱা কালি বিয়লি সেউজ কোঁৱৰ পৰাগ চলিহাৰ ২৭ সংখ্যক মৃত্যু দিৱস উদযাপন কৰা হয়। সেউজ কোঁৱৰ পৰাগ চলিহা স্মৃতিৰক্ষা সমিতি, শিৱসাগৰ নাট্য সমাজ আৰু চাওলুং চুকাফা ইনডৰ ষ্টেডিয়াম পৰিচালনা সমিতিৰ যুটীয়া উদ্যোগত অনুষ্ঠিত এই মৃত্যু দিৱসৰ অনুষ্ঠানত সেউজ কোঁৱৰৰ প্ৰতিমূৰ্তিৰ সম্মুখত বন্থি প্ৰজ্বলন কৰে পৰাগ চলিহাৰ সহধৰ্মিনী শিক্ষাবিদ দীপালী চলিহই। মৃত্যু দিৱস উপলক্ষে অনুষ্ঠিত স্মৃতিচাৰণ সভাখন পৰিচালনা কৰে পৰাগ চলিহাৰ কনিষ্ঠ পুত্ৰ সৌৰভ চলিহাই। এই অনুষ্ঠানত সৌৰভ চলিহাই কয় যে, স্বদেশ আৰু স্বজাতিক মনে প্ৰাণে ভালপোৱা এগৰাকী উদাৰ ধৰ্মনিৰপেক্ষ চিন্তা নায়ক আছিল পৰাগ চলিহা। বৰ্তমান আমাৰ সমাজত দেখা দিয়া হিন্দু মুছলমানৰ নিকৃষ্ট ৰাজনীতি, ধৰ্মীয় অসহিষ্ণুতা, ঘৃণাৰ পৰিবেশৰ বিপৰীতে আমাৰ দেউতা পৰাগ চলিহাই সকলো ধৰ্মকে সমানেই সন্মান আৰু মৰ্যাদা দি'বলৈ শিকাইছিল। দেউতাৰ এনে মহান চিন্তা চেতনা আৰু আদৰ্শৰে অনুপ্ৰাণিত আমি সকলোৱে সমাজত শান্তি সমন্বয় আৰু ভাতৃত্ববোধ ৰক্ষাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। পৰাগ চলিহা আছিল আধুনিক শিৱসাগৰৰ খনিকৰ। প্ৰজ্ঞা আৰু বৌদ্ধিক বিকাশৰ বাবে ঐতিহ্যমণ্ডিত শিৱসাগৰ কলেজ, সাংস্কৃতিক বিকাশৰ বাবে আধুনিক নাট্য মন্দিৰ নিৰ্মাণ কৰা পৰাগ চলিহাই ক্ৰীড়াৰ উন্ত্ৰয়ণৰ বাবে প্ৰথমগৰাকী স্বৰ্গদেউ চাওলুং চুকাফাৰ স্মৃতিত অত্যাধুনিক ইনডৰ ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিল বুলি সৌৰভ চলিহাই মন্তব্য কৰে। সভাত অসম উন্নতি সভাৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকাই কয় যে, সাগৰ সদৃশ জয়সাগৰ পুখুৰীৰ পাৰত তাহানিতেই নিৰ্মাণ কৰা বৌদ্ধিক প্ৰাণকেন্দ্ৰ শিৱসাগৰ কলেজ প্ৰতিষ্ঠা কৰি পৰাগ চলিহাই এই মহাবিদ্যালয়খন উজনি অসমৰ ভিতৰতে আগশাৰীৰ বিশ্ববিদ্যালয় হিচাপে গঢ়ি তোলাৰ সপোন দেখিছিল। বৰ্তমান শিৱসাগৰ কলেজখনে এখন স্বতন্ত্ৰ গ্ৰাম্য বিশ্ববিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰাৰ জৰিয়তে পৰাগ চলিহাৰ সপোনে বাস্তৱ ৰূপ লাভ কৰিলে। প্ৰচণ্ড খঙাল যদিও অত্যন্ত মৰমিয়াল আৰু হৃদয়বান স্বভাৱৰ ব্যক্তি পৰাগ চলিহাই নিয়মানুবৰ্তিতা আৰু সময়ানোবৰ্তিতা কঠোৰ ভাৱে মানি চলিছিল। সময়ক অতি মূল্যবান বুলি ভবা এই বৰেণ্য ব্যক্তি গৰাকীয়ে প্ৰতিটো কাম নিৰ্দিষ্ট সময়ৰ ভিতৰত নহ'লে উদ্যোক্তা সকলক তীক্ষ্ণ সমালোচনা কৰিছিল বুলি শৰৎ হাজৰিকাই মন্তব্য কৰে। সভাত অধিবক্তা দিগন্ত মঙ্গল নেওগে কয় যে, শিৱসাগৰৰ বাবে অনবদ্য অৱদান আগবঢ়াই যোৱা পৰাগ চলিহাক শিৱসাগৰৰ সৰ্বস্তৰৰ ৰাইজে "সেউজ কোঁৱৰ" উপাধি প্ৰদান কৰিছিল। এই সেউজ কোঁৱৰে নামটো তেখেতৰেই প্ৰাক্তন ছাত্ৰ তথা অসমৰ প্ৰথিতযশা সাহিত্যিক ইমৰান শ্বাহে নিৰ্বাচন কৰি দিছিল বুলি দিগন্ত মঙ্গল নেওগে মন্তব্য কৰে। বিশিষ্ট বোলছবি প্ৰয়োজক তথা ৰঙতকমল বঁটা প্ৰাপক গোপাল জালানে কয় যে, অসমৰ এগৰাকী আগশাৰীৰ বুদ্ধিজীৱী, শিক্ষাবিদ, সাহিত্যিক, কবি, গীতিকাৰ, বোলছবি অভিনেতা, নাট্যকাৰ পৰাগ চলিহাই আছিল অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী। তেখেতৰ মৃত্যুৰ ২৭ বছৰৰ পাছতো শিৱসাগৰৰ বৌদ্ধিক সমাজে তেখেতৰ আদৰ্শৰ প্ৰতি গভীৰ ভাৱে অনুপ্ৰাণিত হোৱা দেখি আমি অভিভূত হৈ পৰিছোঁ বুলি গোপাল জালানে মন্তব্য কৰে। এই স্মৃতিচাৰণ সভাত সমাজসেৱীকা গৌৰী ভাগৱতী, মীনা শৰ্মা, সোমেশ ডেকাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে পৰাগ চলিহাৰ সৈতে লাভ কৰা সান্নিধ্য আৰু অভিজ্ঞতাৰ কথা ব্যক্ত কৰে। এই সভাত পৰাগ চলিহাৰ ৰচিত কেইবাটিও গীত সুন্দৰ ভাৱে পৰিবেশন কৰা হয়।

শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ কেন্দ্ৰীয় বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱসৰ সফল সামৰণি

বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ স্থানত চাওখান গগৈ আৰু আকাংক্ষা গগৈ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২২ জুন ঃ সাংস্কৃতিক মহাসভা অসমৰ শিৱসাগৰ জিলা সমিতি আৰু উনবিংশতিতম কেন্দ্ৰীয় বিষ্ণু ৰাভা স্মৃতি দিৱস উদযাপন সমিতিৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰাংগনত এদিনীয়া বিজুৰ কাৰ্যসূচীৰে সফল সামৰণি পৰে। পুৱা ভাগত পতাকা উত্তোলন হোৱাৰ পিছতে শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ সৌজন্যত প্ৰতিষ্ঠিত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা যুগল প্ৰতিমূৰ্তিত বহু গণ্যমান্য ব্যক্তিৰ উপস্থিতিত ক্ৰমে উদ্‌যাপন সমিতিৰ সভানেত্ৰী ডাঃ বীনাপাণি হাজৰিকা আৰু কাৰ্যকৰী সভাপতি তথা বিশিষ্ট সাংবাদিক খাইকদিন আহমেদে। একেটা অনুষ্ঠানতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু মুখ্য উপদেষ্টা তথা সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তৰ প্ৰতিচ্ছবিত একোগছিকৈ বন্থি প্ৰজ্বলন কৰে বিশিষ্ট সমাজ কৰ্মী শংকৰ আগৰৱালা আৰু প্ৰাক্তন পৌৰপতি মৃদুস্মিতা সিনহাই। অনুষ্ঠানটোত বিষ্ণুৰাভা ফটো সম্বলিত এখনি "আবেহলী পত্ৰ" উন্মোচন কৰে বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক ত্ৰৈলোক্য দহই। ইয়াৰ পিছতে হ'ব লগা সংগীত প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে সাংবাদিক পেঞ্চনাৰ অনিল গুপ্তাই। বিয়লি ৩-০০বজাত জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ সভাপতিত্বত অনুষ্ঠিত হোৱা গাস্তীৰ্য পূৰ্ণ মুকলি সভা খনৰ উৰ্দেশ্য ব্যাখা কৰে উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ত্ৰৈলোক্য দহই। তেখেতে কয় যে, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ দৰ্শন আৰু গুণগুড় দিশত অমৰ কবি ৰখাৰ যি প্ৰয়াস আৰু নৱপ্ৰজন্মই নিষ্ঠাৰে অভিভূত হ'ব পৰাকৈ এক বাৰ্তাবৰণ সৃষ্টি কৰি কাৰ্যকৰী কৰণৰ ক্ষেত্ৰত বৌদ্ধিক মহলৰ ভূমিকা অত্যন্ত গুৰুত্ব পূৰ্ণ বুলি সভাত বক্তব্য প্ৰদান কৰে। আদৰণি ভাষণ প্ৰদান কৰে উদযাপন সমিতিৰ সভানেত্ৰী ডাঃ বীনাপাণি হাজৰিকা। গাম্ভীৰ্য পূৰ্ণ সভাখন শুভ উদ্বোধন কৰে বিশিষ্ট সংগীত শিল্পী তথা এজন জনপ্ৰিয় সু-চিকিৎসক ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াই। তেখেতৰ অভিনৱ দৃষ্টিত সামগ্ৰিকভাবে সকলোৱে জানিব আৰু বুজিব পৰাকৈ আয়োজিত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ স্মৃতি দিৱসৰ এই গাম্ভীৰ্য পূৰ্ণ সভাখন উদ্বোধন কৰি ভাষণ প্ৰদান কৰাৰ লগতে বিষ্ণুৰাভাৰ এটা কালজয়ী গীত পৰিবেশন কৰে বিশিষ্ট সকলোকে আপ্লুত কৰে। সভাত "সাম্প্ৰতিক সময়ত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ দৰ্শন, কৰ্মৰাজী আৰু সংস্কৃতি আদি দিশত শীৰ্ষক স্মাৰক" বক্তৃতা প্ৰদান কৰে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিৱসাগৰ প্ৰেছক্লাবৰ সভাপতি ডঃ সৌমাৰ জ্যোতি মহন্তই। বিশিষ্ট নিৰন্ধকাৰ আৰু শিশু নৃত্য শিল্পী ক্ৰমে চামছুল বাৰিক আৰু ছানভি গগৈয়ে একোটাকৈ বিষ্ণু ৰাভাৰ কবিতা আবৃত্তি কৰে। ইয়াৰো পৰি এখন ৰাষ্ট্ৰীয় শিক্ষা সম্মিলনে বলিয়াঘাট কেপি এম চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তথা শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ জেষ্ঠ উপ-সভানেত্ৰী ডঃ বন্তিবৰগোঁহাই ভূএগক বছৰটোৰ এগৰাকী দক্ষ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰি শ্ৰেষ্ঠ বঁটা লাভ কৰি জিলা খনলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে সভাত বিশেষভাৱে অভিনন্দন জনাই। তদুপৰি সভাত বাজিক সমন্বয়ক ইনু বৰগোঁহাই তামোলী, বিশিষ্ট অতিথি ৰঞ্জমনি বৰ

দুধনৈত গোৱালপাৰা জিলা বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচন আৰু মহিলা ফেডাৰেচনে অভিনন্দন জনালে ১৮৯ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২১ জুন ঃ গোৱালপাৰা জিলা বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচন আৰু মহিলা ফেডাৰেচনে যৌথ উদ্যোগত আজি দুধনৈ জনমন্দিৰ সাংস্কৃতিক ভৱন প্ৰাংগণত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অলপতে ঘোষণা কৰা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা জিলা পৰ্যায়ৰ ১৮৯ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক এই অনুষ্ঠানত বিশেষভাৱে অভিনন্দন জনোৱা হয়। সংগঠন দুয়োটাৰ এই প্ৰশংসনীয় উদ্যোগত বাঙালী সম্প্ৰদায়ৰ উচ্চ মাধ্যমিকৰ ৮১ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ ৯৪ গৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সম্প্ৰতিৰ এক অনন্য নিদৰ্শন দাঙি ধৰি অনুষ্ঠানটোত কেৱল বাঙালী সম্প্ৰদায়ৰে নহয়, বৰঞ্চ অঞ্চলটোৰ ৰাভা, বড়ো, গোৰ্খা, মাৰোৱাৰী, ৰাজবংশী আৰু কলিতা আদিকে ধৰি সাতটাকৈ ভিন্ন জনগোষ্ঠীৰ ১৪ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীকো উষ্ণ আদৰণি আৰু অভিনন্দন জনোৱা হয়। প্ৰতিগৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক একোখনকৈ অংগবস্ত্ৰ, অভিনন্দন পত্ৰ আৰু স্মাৰক প্ৰদান কৰি উৎসাহিত কৰা হয়। গোৱালপাৰা জিলা বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ সভাপতি দীপাংকৰ সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা লগতে জিলা সমিতিৰ সম্পাদক ড° নাৰায়ণ সূত্ৰধৰে আঁত ধৰা এই অভিনন্দন সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কেন্দ্ৰীয় উপ-সভাপতি গোপাল সৰকাৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নিখিল ৰাভা ছাত্ৰ সন্থাৰ গোৱালপাৰা জিলা সভাপতি বিৰঞ্জন ৰাভা আৰু সম্পাদক তিলক ৰাভা, জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি নিগন খাখলাৰী, কলিতা জনগোষ্ঠীৰ কেন্দ্ৰীয় সভাপতি বিষ্ণু পাটগিৰি আৰু গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃত্ব বোহিত লামচাল উপস্থিত থাকি কৃতি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি বিভিন্ন প্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। উক্ত অনুষ্ঠানত গোৱালপাৰা জিলাৰ ১০খন বঙালী সমাজৰ বিষয়ৰবীয়াৰ লগতে অৰ্থশাস্ত্ৰিক কৃতি ছাত্ৰ-ছাত্ৰী, জিলাৰ আঞ্চলিক কমিটিৰ বিষয় বৰীয়া আৰু তেওঁলোকৰ অভিভাৱক-অভিভাৱিকা সকল উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তোলে।

তিনিচুকীয়া মণ্ডলৰ তৃতীয় শ্ৰেষ্ঠ নাট্য দলৰ বঁটা অৰ্জন

মুম্বাইত ৰে'লৱেৰ সৰ্বভাৰতীয় নাট প্ৰতিযোগিতা সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ জুন ঃ মুম্বাইত অনুষ্ঠিত হোৱা ৰে'ল কৰ্মচাৰী সকলৰ সৰ্বভাৰতীয় নাট প্ৰতিযোগিতাত খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে তিনিচুকীয়া মণ্ডলৰ নাট দলটিয়ে। উল্লেখ্য যে প্ৰতি বছৰে ভাৰতীয় ৰেলৱেই সৰ্বভাৰতীয় "আন্তঃ ৰেলৱে নাটক প্ৰতিযোগিতা" আয়োজন কৰি আহিছে। এইনাটক প্ৰতিযোগিতাত ভাৰতীয় ৰেলৱেৰ সকলো ক্ষেত্ৰীয় ৰেল আৰু প্ৰডাকচন ইউনিটে অংশগ্ৰহণ কৰে। বিগত বৰ্ষ সমূহৰ দৰে এই বছৰো "আন্তঃৰেলৱে নাট প্ৰতিযোগিতা-২০২৫" ১৬ জুনৰ পৰা ১৮ জুনলৈ তিনিদিনীয়াকৈ মুম্বাইৰ মাটুংগাৰ যশৱন্ত নাট্য মন্দিৰত অনুষ্ঠিত হৈ যায়। প্ৰতিযোগিতা খনিত ভাৰতীয় ৰেলৰ মুঠ ২৩টা বিভিন্ন ক্ষেত্ৰীয় ৰেল আৰু প্ৰডাকচন ইউনিটে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত উত্তৰ পূব সীমান্ত ৰে'লৱেৰ তিনিচুকীয়া মণ্ডলৰ নাট্যদলেও যোগদান কৰি খ্যাতি অৰ্জন কৰা খবৰে উৎফুল্ল কৰি তুলিছে ৰেল কৰ্মচাৰীসকলক। ৰাষ্ট্ৰীয় এই পৰ্যায়ৰ নাটক প্ৰতিযোগিতাত এন এফ ৰে'লৱে তিনিচুকীয়া মণ্ডলে নাট্যকাৰ দীপ হালৈৰ "সংকাৰ" নামৰ নাটকখন মঞ্চস্থ কৰি তৃতীয় শ্ৰেষ্ঠ নাট্য দলৰ বঁটা লাভ কৰি তিনিচুকীয়া সংমণ্ডল তথা উত্তৰ-পূব সীমান্ত ৰেলৱেলৈ গৌৰব কঢ়িয়াই অনাৰ লগতে ব্যক্তিগত শিতানতো কেইবাটাও বঁটাৰে সন্মানিত হৈছে। যাৰ ভিতৰত দ্বিতীয় শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে প্ৰবাল বৰঠাকুৰে, তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে হেল্লীমণি ফুকনে আৰু অভিনয়ত জুৰীৰ বিশেষ বঁটা লাভ কৰে প্ৰবাল বৰঠাকুৰ আৰু পিংকুমনি খাউণ্ডে। প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্বত আছিল দুৰ্বদৰ্শন, চলচিত্ৰ আৰু নাট্যজগতৰ বিশিষ্ট অভিনেতা তথা পৰিচালক পদ্মশ্ৰী মনোজ যোশী, বিজয় কেনদ্ৰে আৰু মেঘনা মালিক। উত্তৰ-পূব সীমান্ত ৰেলৱেৰ দলটিক নেতৃত্ব দিয়ে দলপতি ৰে'ল কৰ্মচাৰী কল্যাণনিধিৰ মুখ্য পৰিদৰ্শক ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যই। প্ৰবাল বৰঠাকুৰে পৰিচালনা কৰা নাটকখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছিল একাদিক্ৰমে প্ৰবাল বৰঠাকুৰ, পিংকুমনি খাউণ্ড আৰু হেল্লীমণি ফুকনে। পোহৰৰ দায়িত্বত আছিল গুপ্ত ৰঞ্জন গগৈ। সংগীত ব্যৱস্থাপনাত আছিল পাৰ্থক কাশ্যপ আৰু অৰিন্দম ৰববৰা। মঞ্চসজ্জাত মুগেন শৰ্মা, ভূপেন সোণোৱাল, ধন্যজ্যোতি গোহাঁই আৰু অৰিন্দম ৰববৰা। সাজ-সজ্জা আৰু ৰূপ-সজ্জাত আছিল পিংকুমনি খাউণ্ড।

চামগুৰিৰ যোগপ্ৰেৰণা ফাউণ্ডেচনৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন

অসম বাৰ্তা, পূৰণিগুদাম, ২১ জুন ঃ বিগত বৰ্ষসমূহৰ দৰে নগাঁও জিলাৰ চামগুৰিস্থিত আৰু নগাঁও টাউনৰ পানীগাঁওস্থিত অগ্ৰণী যোগ প্ৰতিষ্ঠান "যোগপ্ৰেৰণা ফাউণ্ডেচন"ৰ উদ্যোগত "ৰাভা দিৱস"ৰ লগত সংগতি ৰাখি ২০ জুনৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰে। জানিব পৰা মতে, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচী অনুসৰি ২১ জুনত নগাঁও জিলাৰ চামগুৰি অঞ্চলৰ কুৰুবাবাই কছাৰী গাঁও প্ৰাথমিক বিদ্যালয়ত চামগুৰিস্থিত আৰু নগাঁও টাউনৰ পানীগাঁওত অৱস্থিত যোগপ্ৰেৰণা ফাউণ্ডেচনৰ পৰিচালন সঞ্চালিকা তথা ইণ্ডিয়ান আইকন এৱাৰ্ডি যোগ অলংকাৰ যোগবিদ ড° বেখামণি দাসৰ তত্ত্বাবধানত "যোগ সকলোৰে বাবে" শীৰ্ষক যোগাভ্যাস অনুষ্ঠান উপস্থিত লোকসকলক লৈ অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰধান শিক্ষয়িত্ৰী ওৰাহিদা বেগম আৰু সহকাৰী শিক্ষক ৰুস্তম আলীক যোগবিদ ড° বেখামণি দাসে এখনি কৈ ফুলাম গামোছাৰে আদৰণি জনায়। প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে শুভাৰম্ভ কৰা আন্তঃৰাষ্ট্ৰীয় যোগৰ অনুষ্ঠানটোত যোগ অলংকাৰ প্ৰাপক যোগবিদগৰাকীয়ে যোগ শিক্ষাৰ বিষয়ে বহুলভাৱে উপস্থিত লোকসকলৰ মাজত ভাষণ প্ৰদান কৰে। পৰবৰ্তী সময়ত যোগবিদ ড° বেখামণি দাসে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু অভিভাৱকসকলৰ মাজত যোগ ক্ৰিয়াৰ বিভিন্ন শৈলী সমূহ পৰিচালনা কৰে। এই কাৰ্যসূচীত লীলাকান্ত বৰা, আনন্দ শইকীয়া, কপিল বয়, অচিত বৰা, দ্বিজেয়া শৰ্মা, বিদ্যুত বৰাকে ধৰি উক্ত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু অভিভাৱকসকলে যোগৰ বিভিন্ন অনুশীলন সমূহ গ্ৰহণ কৰি আপ্লুত হোৱা দেখা যায়। উল্লেখ্য যে, বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো যোগপ্ৰেৰণাৰ ব্যৱস্থাপনাত দুদিনীয়াকৈ যোগ দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি ২০ জুনত নগাঁও টাউন স্থিত পানীগাঁৱৰ যোগপ্ৰেৰণা ফাউণ্ডেচনে অনলাইনৰ জৰিয়তে যোগৰ ক্ৰীয়াসমূহ সফলভাৱে সম্পন্ন হয়। অনুষ্ঠানৰ আৰম্ভণিতে শ্ৰীকৃষ্ণ আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ চৰণত চাকি-ধূপ নৈবদ্য প্ৰদানেৰে সেৱা-প্ৰাৰ্থনা জনোৱাৰ লগতে "কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা" দেৱক স্মৰণ কৰি বন্তি প্ৰজ্বলনেৰে পুষ্পাঞ্জলি অৰ্পণ কৰি সেৱা-প্ৰাৰ্থনা জনোৱা উপৰিও "যোগপ্ৰেৰণা ফাউণ্ডেচনে" পোনপ্ৰথমবাৰৰ বাবে জুবিন গাৰ্গৰ কৰ্মবাজীৰ ভিত্তিত দিব্যমানৰ হিচাপে বিগত সময়ত স্বীকৃতি প্ৰদান কৰা হিয়াৰ আমঠু জুবিন গাৰ্গ সুঁৱৰি বন্তি পুষ্পাঞ্জলি প্ৰদানেৰে আশীৰ্বাদ লৈ সন্ধিয়া ৭ বাজি ৩০ মিনিটৰ পৰা কলাগুৰু আৰু জুবিনদা এই দুয়োগৰাকী মহীকহৰ ওচৰত মৌন প্ৰাৰ্থনা জনাই আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে ৰাজখনৰ বিভিন্ন জিলাত উপস্থিত থকা সকলোৰে শৰীৰ আৰু মনৰ সঞ্চালনৰ জৰিয়তে যোগৰ বিভিন্ন ক্ৰিয়া-কলাপ সমূহ সেৱা মনোভাৱেৰে অনুষ্ঠিত কৰা পৰিলক্ষিত হয়। এই অনুষ্ঠানটোত পাৰিজাত শইকীয়া, দিপশিখা বৰা, প্ৰাণজ্যোতি গগৈ, অৰুণা বৰা, দৃষ্টি হিয়া শৰ্মা, নিলাক্ষী ৰাভা, চিমনজিতা গগৈ, অভিলেখ বৰা, হিমাংক জ্যোতিবৰা, অৰুনাভ লাহন, শিৱানী কাকতি, মানান্যা দত্ত, আস্থা বৰা, দৰ্শীল প্ৰিয়ম বৰা, উদয়ন বৰুৱাকে ধৰি বহু লোক উপস্থিত থাকে বুলি জানিব পৰা গৈছে।

গেৰুৱাত 'গজালি'ৰ উদ্যোগত ব্যতিক্ৰমী ৰূপত ৰাভা দিৱস উদ্‌যাপন

অসম বাৰ্তা, ভূৰাগাঁও, ২১ জুন ঃ মৰিগাঁও জিলাৰ গেৰুৱাত 'গজালি সংগীত বিদ্যালয়'ৰ এক ননন্য প্ৰয়াস। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ পবিত্ৰ স্মৃতিত আয়োজন কৰা ৰাভা দিৱসৰ আজি সামৰণী পৰে। এজাক কণকণ শিশুৰ কাকলিত গেৰুৱা ৰাম মঞ্চপৰ সমগ্ৰ প্ৰাংগন প্ৰাণৱন্ত হৈ পৰে। কোনো কৃত্ৰিম জাকজমকতা বিপৰীতে, সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশত অনুষ্ঠিত কৰা হয় অনুষ্ঠানটি। প্ৰাকৃতিক নিৰ্মল পৰিবেশত অনুষ্ঠিত এই মনোজ্ঞ অনুষ্ঠানে মুহিলে উপস্থিত প্ৰতিগৰাকী গুণমুগ্ধ দৰ্শকৰ মন।

এজাক কণকণ শিশুৰ কলকাকলি আৰু কলামুখী প্ৰতিভাৰে মুখৰিত

নাচি উঠিল অঞ্চল টোৰ কুঁহিপাত সদৃশ্য বিষয়তৰ প্ৰজন্মই। অনুষ্ঠানটিত গীত আৰু ছন্দময় নৃত্যৰ এক অপূৰ্ব যুগলবন্দীৰে শিশুসকলে শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰে মহান শিল্পীগৰাকীৰ চৰণত। কোনো কৃত্ৰিম জাকজমকতা বিপৰীতে, সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশত অনুষ্ঠিত কৰা হয় অনুষ্ঠানটি। প্ৰাকৃতিক নিৰ্মল পৰিবেশত অনুষ্ঠিত এই মনোজ্ঞ অনুষ্ঠানে মুহিলে উপস্থিত প্ৰতিগৰাকী গুণমুগ্ধ দৰ্শকৰ মন। গুৰুজনাৰ পবিত্ৰ 'দেৱ বাদ্য' খোলৰ গুৰুম গুৰুম শব্দৰে সমগ্ৰ পৰিৱেশ যেন পবিত্ৰ কৰি তুলিলে এজাক কন-শিকাৰৰ কনকন হাতবোৱে। কণ কণ শিশুৰ খোলৰ চাপৰতেই সূচনা হ'ল অনুষ্ঠানৰ শুভাৰম্ভ। পশ্চিমীয়া সংস্কৃতিৰ ধামখুমীয়াৰ মাজতো নৱ-প্ৰজন্মক নিজৰ মাটি আৰু শিপাৰ সৈতে চিনাকি কৰাই দিয়াৰ যি প্ৰেৰণা 'গজালি'য়ে দেখুৱালে-সি সঁচাকৈয়ে অনন্য আৰু আদৰণীয়।

গোলাঘাট আটাছুৰ সাধাৰণ সভা আৰু জিলা মহিলা মঞ্চ গঠন, এম্বুলেন্স সেৱা উদ্বোধন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২১ জুন ঃ গোলাঘাটৰ দেৰবাজ বয় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি আটাছু গোলাঘাট জিলা সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী হিচাপে জিলা সভাপতি পংকজ গগৈয়ে পতাকা উত্তোলন কৰাৰ লগতে ছুকাফা আৰু লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত ম্যালাৰ্পণ তথা শ্ৰদ্ধাৰ্ঘ তৰ্পন অনুষ্ঠানত গোলাঘাট জিলা আটাছুৰ কাৰ্যকৰী সভাপতি দিগন্ত গগৈ আৰু যুটীয়া সম্পাদক অংকুৰ কোঁৱৰ আৰু ভাস্কৰজ্যোতি ফুকনে অংশ গ্ৰহণ কৰে। প্ৰায় পাঁচ শতাধিক লোক উপস্থিত থকা উক্ত সভাতে গোলাঘাট জিলা টাই আহোম মহিলা মঞ্চখন গঠন কৰা হয়। সভাখনত সভাপতিত্ব কৰে আটাছু গোলাঘাট জিলা সমিতিৰ সভাপতি পংকজ গগৈয়ে। সভাত আটাছু কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈ, যুটীয়া সম্পাদক দিগন্ত চাংমাই, সহকাৰী সম্পাদক ধ্ৰুৱজ্যোতি শইকীয়া, প্ৰচাৰ সম্পাদক গৌতম লাহন, জিলা সমিতিৰ উপদেষ্টা জ্যোতিপ্ৰসাদ গগৈকে ধৰি কেইবাখনো জিলা সমিতিৰ সভাপতি সম্পাদক তথা মহিলা মঞ্চৰ সভানেত্ৰী সম্পাদক উপস্থিত থাকে। সভাত আদৰণি ভাষণ প্ৰদান কৰে আটাছুৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱাই। গোলাঘাট জিলা মহিলা মঞ্চৰ নৱগঠিত সমিতিখনৰ সভানেত্ৰী হিচাপে এলিজা ফুকন, কাৰ্যকৰী সভানেত্ৰী হিচাপে ৰ'জলিন বুঢ়াগোহাঁই ফুকন আৰু সাধাৰণ সম্পাদিকা হিচাপে মৌচুমী ফুকন গোঁহাইকে প্ৰমুখ্য কৰি ২১ জনীয়া এখন শক্তিশালী মহিলা সমিতি গঠন কৰা হয়। উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি গোলাঘাট আটাছুৰ তত্ত্বাবধানত জিলাখনৰ ৰাইজৰ সেৱাৰ বাবে উৎসৰ্গিত এম্বুলেঞ্চখন শুভ উদ্বোধন কৰা হয়। এম্বুলেঞ্চখন উদ্বোধন কৰে সদৌ অসম মটৰ পৰিবহণ সন্থাৰ কাৰ্যকৰী সভাপতি পূৰ্ণ ৰাজখোৱা আৰু দেৱৰাজ বয় মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° দেৱজিত ফুকনে।

অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা স্বীকৃতিপ্ৰাপ্ত ছয়গাঁও সাহিত্য সভাৰ উদ্যোগত আৰু শঙ্কৰদেৱ বিদ্যা মন্দিৰ, কুকুৰমাৰাৰ সহযোগত বিষ্ণু ৰাভা দিৱস পালন

অসম বাৰ্তা, ছয়গাঁও, ২১ জুন ঃ অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা স্বীকৃতিপ্ৰাপ্ত ছয়গাঁও সাহিত্য সভাৰ উদ্যোগত আৰু শঙ্কৰদেৱ বিদ্যা মন্দিৰ, কুকুৰমাৰাৰ সহযোগত শনিবাৰে বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। শঙ্কৰদেৱ বিদ্যা মন্দিৰত অনুষ্ঠিত হোৱা বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচী অনুসৰি পূৰা বন্তি প্ৰজ্বলন কৰে ছয়গাঁও সাহিত্য সভাৰ উপ-সভাপতি দ্বিজেন্দ্ৰ নাথ শৰ্মাই, তাৰ পিছতে বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ছয়গাঁও সাহিত্য সভাৰ সভাপতি ড° প্ৰাণেশ্বৰ নাথে। অনুষ্ঠানত শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ ছমহীয়া প্ৰাচীৰ পত্ৰিকা 'কমলাক্ষী' উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী দেৱেন চন্দ্ৰ বড়োই। পুৱা ১০ বজাৰ পৰা দক্ষিণ কামৰূপ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ অধ্যক্ষ নবীন চন্দ্ৰ কলিতাই। ইয়াৰ পিছত শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ সঞ্চালক ধীৰাজ কুমাৰ দাসে আঁত ধৰা আলোচনা সভাত বক্তা হিচাপে অংশগ্ৰহণ কৰি ছয়গাঁও মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক কমল ঠাকুৰীয়াই বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱনৰ ওপৰত আলোক পাত কৰে। কবি তাচেৰউদ্দিন আহমেদ আৰুআৰসবপ্ৰাপ্ত শিক্ষক দেৱেন চন্দ্ৰ বড়োই ভাষণ ৰাখি বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন দৰ্শন সম্পৰ্কে উল্লেখ কৰে। অনুষ্ঠানত শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ পৰিচালন সঞ্চালক লোহিত দাস, অধ্যক্ষ নবীন চন্দ্ৰ কলিতা, ছয়গাঁও সাহিত্য সভাৰ সম্পাদক ভাৰত গোস্বামী, সহকাৰী সম্পাদক গাগ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণকান্ত গোস্বামী, ছয়গাঁও সাহিত্য সভাৰ দিপিকা নাথ, দুৰ্গেশ্বৰী মেধি, হিতেশ দাস, প্ৰতিভা ঠাকুৰীয়া, বিনীতা নাথ, আখতাৰা চৌধুৰী প্ৰমুখে কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ উপৰিও দীপাম্বিতা দাসে কবিতা আবৃত্তি, তনুশ্ৰী কলিতা আৰু দিশা দাসে ৰাভা সংগীত পৰিৱশন কৰে। লগতে ছয়গাঁও সাহিত্য সভা নাৰ্জী চৌধুৰী কবিতা আবৃত্তি আৰু হৰিমতী কলিতাই গল্প পাঠ কৰে। ছয়গাঁও সাহিত্য সভাৰ আকাশ উপ সমিতিয়ে পৰিৱেশন কৰা সমবেত সঙ্গীতেৰে আৰম্ভ হোৱা অনুষ্ঠান বিষ্ণু ৰাভা দিৱসৰ লগত সঙ্গতি ৰাখি অনুষ্ঠিত কুইজ প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ বঁটাৰ লগতে শঙ্কৰদেৱ বিদ্যা মন্দিৰত অনুষ্ঠিত বিশ্ব পৰিবেশ দিৱসৰ বিভিন্ন প্ৰতিযোগিতাৰ বঁটা লাভ কৰা প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰে।

উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্ব অৰ্জনকাৰী ছাত্ৰ-ছাত্ৰীক গড় সমাজৰ সম্বৰ্ধনা

অসম বাৰ্তা, মাকুম, ২১ জুন ঃ সদৌ অসম গড় সমাজ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু মাকুম, তিনিচুকীয়া, ডুমডুমা, ডিগবৈ, মাৰ্ঘেৰিটা, লিডু আঞ্চলিক সমিতি তথা চান্দমাৰী শাখা সমিতিৰ সহযোগত মাকুমস্থিত বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে আজি এক বিশেষ অভিনন্দন অনুষ্ঠান কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী সম্পন্ন কৰা হয়। ইয়াৰ পিছত সদৌ অসম গড় সমাজ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰভু গড়ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৯০ গৰাকীকৈ অধিক কৃতী ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আজিৰ সভাত সদৌ অসম গড় সমাজ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰভু গড়, সম্পাদক অশোক গড়, মাকুম আঞ্চলিক সমিতিৰ সভাপতি দিলীপ গড়, সম্পাদক জয়পাল গড়, শিৱা গড় আদি বিষয়ৰবীয়াসকলে উপস্থিত থাকি কৃতী ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ ক্ষেত্ৰত অধিক মনোযোগী হৈ আগবাঢ়ি যোৱাৰ আহ্বান জনায় লগতে জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ মানদণ্ড দিনক দিনে উন্নত হোৱাটো গৌৰৱৰ বিষয় আৰু এই ধাৰা অব্যাহত থাকিলে ভৱিষ্যতে সমাজখন অধিক সমৃদ্ধ হ'ব বুলি তেওঁলোকে মন্তব্য আগবঢ়াই। আজিৰ অনুষ্ঠানত চাহ জনগোষ্ঠীৰ বিশিষ্ট শিক্ষাবিদ তথা গৱেষক ব্ৰজেন বৰুৱা, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য কনক কুৰ্মী, তিনিচুকীয়া জিলা সমিতিৰ শিক্ষা সম্পাদক কাৰ্ত্তিক তাঁতী আৰু কাৰ্যনিৰ্বাহক সদস্য দয়াৰাম ভক্তাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে ভৱিষ্যত জীৱনত অধিক সফলতা অৰ্জনৰ কামনা কৰে। সদৌ অসম গড় সমাজ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আজি অনুষ্ঠিত কৰা বিশেষ অভিনন্দন অনুষ্ঠানটোৱে কৃতী ছাত্ৰ-ছাত্ৰীসকলক অধিক উৎসাহিত কৰা পৰিলক্ষিত হয়।

নাজিৰা কবি সন্মিলনৰ ত্ৰি-মাসিক কাব্য পত্ৰিকা "প্ৰতীতি" উন্মোচন

অসম বাৰ্তা, নামতি, ২১ জুন ঃ সদৌ অসম কবি সন্মিলনৰ অন্যতম শ্ৰেষ্ঠ শাখা নাজিৰা কবি সন্মিলনৰ দ্বাৰা প্ৰকাশিত ত্ৰি-মাসিক কাব্য পত্ৰিকা "প্ৰতীতি" নৱম বৰ্ষৰ প্ৰথম সংখ্যাটি কালি শুভ উন্মোচন কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি তথা শিৱসাগৰ জিলা পৰিষদৰ নাজিৰা-আঠখোল জিলা পৰিষদ সমষ্টিৰ প্ৰাক্তন সদস্য তথা বিশিষ্ট কবি-সমাজসেৱী হেমন্ত ৰাজখুৰাই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ প্ৰেক্ষাগৃহত নাজিৰা কবি সন্মিলনৰ সভানেত্ৰী বিচিত্ৰা বৰা ভূ এণাৰ সভাপতিত্বত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন আৰু পথাৰ কবি ৰাম গগৈৰ ওপজা দিন পালনেৰে দুয়োগৰাকী মহান মানৱক সশ্ৰদ্ধ স্মৰণ কৰা হয়। শিক্ষয়িত্ৰী তথা বিশিষ্ট কবি-লেখিকা প্ৰণীতা লাচিতে শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত বৰগীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষয়িত্ৰী তথা নাজিৰা কবি সন্মিলনৰ সম্পাদিকা মঞ্জু ঘৰফুলীয়া বড়াই। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি নাজিৰা কবি সন্মিলনৰ উপদেষ্টা হৰেন চন্দ্ৰ নাথে অসম আৰু অসমীয়া সমাজ জীৱনৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অন্যতম মানৱ হিচাপে ৰাভাৰ আদৰ্শ উজ্জীৱিত হৈ থাকিব আৰু অসমৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰত অভূতপূৰ্ব অৱদান আগবঢ়াই যোৱা বিষ্ণুপ্ৰসাদ ৰাভাৰ বিপ্লৱী সত্ত্বা সাম্প্ৰতিক প্ৰেক্ষাপটত পুনৰ আগমনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে। "পথাৰ কবি ৰাম গগৈৰ কাব্যত মানৱ সমাজৰ বাবে এক দৰ্শন" শীৰ্ষক এক আৱলোকন দাঙি ধৰি অৱসৰী প্ৰধান শিক্ষয়িত্ৰী তথা বিশিষ্ট কবি-লেখিকা অৰুণা চেতিয়া খাটনিয়াৰ আৰু নাজিৰা কবি সন্মিলনৰ উপদেষ্টা সুৰেশ ভূ এণাই। ইন্দ্ৰাণী গগৈ আৰু নিবেদিতা ফুকনে ৰাভা সংগীত, নিজৰা সন্দিকৈয়ে ৰাম গগৈৰ কবিতা পাঠে উপস্থিত কাব্যপ্ৰমী সকলক মোহিত কৰে। চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা-বিশিষ্ট কবি-লে

চতুৰ্থ সন্তান জন্ম দিলে ভৰিব

তেওঁলোকে চিকিৎসা গ্ৰহণ কৰিব লাগিব। কেৱল ৰবপেটাৰোডতেই নহয়, সমগ্ৰ ৰাজ্যতে এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে তেওঁ স্বাস্থ্যমন্ত্ৰী আৰু স্বাস্থ্য বিভাগক আহ্বান জনায়। আজি ৰবপেটাৰোড এফ আৰ ইউত এক অত্যাধুনিক আলট্ৰা চনোগ্ৰাফী মেচিন আনুষ্ঠানিকভাৱে উদ্বোধন কৰি অধ্যক্ষগাৰীউত এক অঞ্চলটোৰ স্বাস্থ্যসেৱাত এক নতুন মাত্ৰা প্ৰদান কৰে। মেচিনটো মুকলি কৰাৰ পাছত চিকিৎসালয় পৰিচালনা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত তেওঁ চিকিৎসালয়ৰ ব্যৱস্থাপনাক লৈ কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। বিশেষকৈ চিকিৎসালয়খনৰ একাংশ চিকিৎসকৰ কৰ্তব্যত গাফিলতিক লৈ তেওঁ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। সকু সকু সমস্যাতে ৰোগীক ৰবপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ বা 'ৰেফাৰ' কৰা প্ৰবণতাক কঠোৰ সমালোচনা কৰি তেওঁ কয়, "অযথা ৰেফাৰ কৰি নিজৰ দায়িত্ব এৰাই চলাটো কোনো কাৰণতে সহ্য কৰা নহ'ব।" নিৰ্ধাৰিত ডিউটিৰ সময়ত চিকিৎসালয়ত উপস্থিত নথকা বা ব্যক্তিগত চেম্বাৰত ব্যস্ত থকা চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ বিৰুদ্ধে বিভাগীয়ভাৱে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও তেওঁ হুংকাৰ দিয়ে। এই ক্ষেত্ৰত সাধাৰণ বাইজক সজাগ হ'বলৈ আহ্বান জনাই তেওঁ কয় যে যদিহে কোনো চিকিৎসকে সেৱা প্ৰদানত গাফিলতি কৰে, তেন্তে লিখিতভাৱে স্থানীয় পৌৰসভা জৰিয়তে অভিযোগ দাখিল কৰিব পাৰিব। চিকিৎসালয়খনত নতুনকৈ স্থাপন কৰা আলট্ৰা চনোগ্ৰাফী মেচিনটোৰ ফলত এতিয়াহে পৰা দৰিদ্ৰ ৰোগীসকল যথেষ্ট উপকৃত হ'ব বুলি আশা কৰা হৈছে। আজিৰ এই কাৰ্যসূচীত ৰবপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত বৰষা শইকীয়া, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ভূপেন চন্দ্ৰ বৰা, ৰবপেটাৰোড পৌৰসভাৰ সভাপতি ৰাজেশ সবকাৰ, উপ অধীক্ষক ডাঃ মুকুট দাস, বিজেপিৰ ভাৰপ্ৰাপ্ত জিলা সভানেত্ৰী সবিতা দেৱনাথকে ধৰি স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে ডাঃ প্ৰদীপ ৰাজবংশী আৰু ডাঃ ধীপেন কলিতায়ে।

পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ তৎপৰতা,

গৰুবাঝাৰ হৈ সৰু-সৰু গ্ৰামাঞ্চল সমূহকো এই সেৱাৰ দ্বাৰা সামৰি লোৱাৰ কথা সদৰি কৰে মন্ত্ৰী গৰাকীয়ে। যাত্ৰী সকলৰ পৰা যথোপযুক্ত সঁহাৰি লাভ কৰিলে ভৱিষ্যতে ৰাজ্যৰ চুকে-কোনে বেটাৰী চালিত সেউজীয়া বাছৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত নিজৰ আগ্ৰহৰ কথাও প্ৰকাশ কৰে মন্ত্ৰী গৰাকীয়ে। পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ তৎপৰতাত গুৱাহাটীৰ পাছতে বিটিচিচ এই বেটেৰীচালিত বৈদ্যুতিক বাছসেৱাৰ সুবিধা লাভ কৰাত এতিয়া বিটিচি বাসীয়ে সন্তুষ্টি প্ৰকাশ কৰিছে। আজিৰ এই বেটেৰীচালিত বৈদ্যুতিক বাছসেৱাৰ শুভাৰম্ভণী অনুষ্ঠানত উপস্থিত থাকে বিটিচিৰ ৰাজহ বিভাগৰ কাৰ্যবাহী পাৰিষদ লৌমঞ্জাউ দৈমাৰী, ভেৰগাঁৱৰ বিধায়ক মহেশ্বৰ বড়ো, টিলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, মুদৈবৰী সমষ্টিৰ এমচিএলএ দিগন্ত বৰুৱা, পাবিষদ পল' টিছ আৰু বিপিএফ নেতা তথা ভেৰগাঁৱৰ টিএলচিচিৰ অধ্যক্ষ বিক্ৰম দৈমাৰী, ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি ৰিংখাং মোছাহাৰী, ওদালগুৰি জিলাৰ পৰিবহণ বিষয়া প্ৰমুখ্যে বিপিএফৰ বহুকইহাবাকী নেতা কৰ্মীৰ লগতে অঞ্চলটোৰ প্ৰায় দুই শতাধিক জনতা।

ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰৰ

আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকাত অধিক সময় দিব বিচাৰে-এগৰাকী ভাল স্বামী আৰু পিতৃৰ ভূমিকা। ভাষণত তেওঁ নিজৰ পত্নী ভিক্টোৰিয়াক উদ্দেশ্যি কয় যে ভাল আৰু বেয়া দুয়োটা সময়তে তেওঁ সদায় কাষত থিয় দিছিল আৰু তেওঁৰ বাবে এটা শক্তিশালী আশ্ৰয় হৈ পৰিছিল। আবেগত ভাসি তেওঁ নিজৰ সন্তানসকলৰ কথা উল্লেখ কৰি কয় যে সিহঁতেই তেওঁৰ গৌৰৱ আৰু আনন্দৰ আটাইতকৈ ডাঙৰ কাৰণ। ভাষণৰ শেষত পত্নীক সাৱটি ধৰি তেওঁ ১০ ডাউনিং ষ্ট্ৰীটৰ ভিতৰলৈ প্ৰস্থান কৰে। ষ্টাৰমাৰে স্পষ্ট কৰে যে তেওঁ ক্ষমতাৰ সূচাক হস্তান্তৰ নিশ্চিত কৰিবলৈ সকলো সম্ভৱ প্ৰচেষ্টা চলাব আৰু নিজৰ উত্তৰাধিকাৰীক সম্পূৰ্ণ সহযোগিতা আগবঢ়াব। দেশৰ নতুন নেতৃত্ব সম্পৰ্কে তেওঁ কয় যে ব্ৰিটেইনৰ দায়িত্ব এনে এজন ব্যক্তিয়ে চম্ভালিব যি পূৰ্বৰ দুবছৰতকৈ অধিক শক্তিশালী আৰু নিৰপেক্ষ। লগতে তেওঁ নিজৰ সৈতে কাম কৰা সহকৰ্মী, বন্ধু, ১০ ডাউনিং ষ্ট্ৰীটৰ কৰ্মচাৰী আৰু ব্ৰিটেইনৰ চৰকাৰী কৰ্মচাৰীসকললৈকো ধন্যবাদ জ্ঞাপন কৰে, যিসকলে যোৱা ছয় বছৰ ধৰি তেওঁক সংগ দি আহিছে। পদত্যাগৰ সিদ্ধান্তৰ বিষয়ে ব্ৰিটিছ ৰজা চাৰ্লছ তৃতীয়ক অৱগত কৰা হৈছে বুলি ষ্টাৰমাৰে জানিবলৈ দিয়ে। লগতে তেওঁ লেবাৰ পাৰ্টীৰ ৰাষ্ট্ৰীয় কাৰ্যবাহী সমিতিক নতুন নেতা নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ অনুৰোধ জনায়, যি অনুসৰি ৯ জুলাইৰ পৰা মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু গৰমাৰ বন্ধৰ পূৰ্বেই সমগ্ৰ নিৰ্বাচনী কাৰ্য সম্পূৰ্ণ কৰা হ'ব। ছেপ্টেম্বৰ মাহত সংসদ পুনৰ খোল খাই অহাৰ আগতেই লেবাৰ পাৰ্টিৰ নতুন নেতা নিৰ্বাচিত হৈ যাব বুলি ষ্টাৰমাৰে আশাস দিয়ে। তেতিয়ালৈকে তেওঁ প্ৰধানমন্ত্ৰীৰ পদত বাহাল থাকি নিজৰ দায়িত্বসমূহ পালন কৰি যাব। উল্লেখযোগ্য যে প্ৰায় দুবছৰ ধৰি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা কেইৰ ষ্টাৰমাৰে আৰম্ভণিতে দুচতাৰে কৈছিল যে তেওঁ ঘিকোনো প্ৰত্যাহ্বানৰ মুখামুখি হ'ব আৰু পদ ত্যাগ নকৰে। কিন্তু যোৱা সপ্তাহান্তৰৰ পৰা তেওঁৰ পদত্যাগৰ লৈ জল্পনা-কল্পনা তীব্ৰতৰ হৈ পৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পেও ছচিয়েল মিডিয়াত এই প্ৰসঙ্গত মন্তব্য কৰিছিল। সংবাদ মাধ্যমৰ খবৰ অনুসৰি, ব্ৰিটিছ চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীয়ে ষ্টাৰমাৰক ক্ষমতা হস্তান্তৰৰ স্পষ্ট পৰিকল্পনা দাখিল কৰিবলৈ আহ্বান জনাইছিল, যিসকলৰ ভিতৰত বৈদেশিক মন্ত্ৰী, গৃহ মন্ত্ৰী আৰু শক্তি মন্ত্ৰীও অন্তৰ্ভুক্ত বুলি কোৱা হৈছে। যোৱা মাহত অনুষ্ঠিত স্থানীয় নিৰ্বাচনত লেবাৰ পাৰ্টীয়ে ব্যাপক লোকচানৰ সম্মুখীন হোৱাৰ লগতে ধাৰাবাহিকভাৱে অহা বেয়া জনমত সমীক্ষাবোৰে শাসকীয় দল আৰু চৰকাৰৰ ভিতৰত ষ্টাৰমাৰৰ স্থিতি দুৰ্বল কৰি তুলিছিল। এই ঘটনাবোৰৰ বাবে তেওঁৰ নেতৃত্বক লৈ প্ৰশ্ন উত্থাপন হোৱাত অৱশেষত পদত্যাগৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হয় বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

উচ্চন্যায়ালয়ৰ পৰা সঁকাহ নাপাই

আবেদন নাকচ কৰা মাত্ৰেই মহন্তই শীৰ্ষ আদালতত এখন নতুন জামিন আবেদন দাখিল কৰে। জনা মতে, এই আবেদনটো অহা কাইলৈ উচ্চতম ন্যায়ালয়ত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয় ন্যায়াধীশ মিতালী ঠাকুৰীৰায় সমুখত মহন্তৰ জামিন আবেদনৰ ওপৰত বিস্তাৰিত শুনানি গ্ৰহণ কৰা হৈছিল। অভিযুক্তৰ পক্ষৰ অধিবক্তাই জামিনৰ স্বপক্ষে সবল যুক্তি দাঙি ধৰাৰ বিপৰীতে ৰাজ্যৰ এডভোকেট জেনেৰেল দেৱজিত লোন শইকীয়াই এই আবেদনৰ তীব্ৰ বিৰোধিতা কৰে আৰু আদালতক মহন্তৰ আবেদন খাৰিজ কৰিবলৈ আহ্বান জনায়। দুয়োপক্ষৰ যুক্তি-তৰ্ক শুনাৰ অন্তত ন্যায়াধীশে ২৯ মে'ত ৰায় ঘোষণা কৰিব বুলি আশা প্ৰকাশ কৰি ৰায় সংৰক্ষিত ৰাখিছিল, যদিও পাছত উচ্চন্যায়ালয়ে মহন্তক কোনো সকাহ নিদি আবেদনখন নাকচ কৰে। উল্লেখযোগ্য যে ইয়াৰ আগতে বিশেষ ফাষ্ট ট্ৰেক আদালতে একেটা গোচৰতে আন চাকিণাকী অভিযুক্ত-সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদনও নাকচ কৰি সিদ্ধান্ত দিছিল যে বিচাৰ চলি থকা অৱস্থাত তেওঁলোকে ন্যায়িক জিম্মাতেই থকা হ'ব। শ্যামকানু মহন্তৰ ক্ষেত্ৰতো উচ্চন্যায়ালয়ে একেধৰণৰ কঠোৰ মনোভাব প্ৰদৰ্শন কৰাত তেওঁ শেষ পথ হিচাপে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। অহা শুনানিত শীৰ্ষ আদালতে এই আবেদন গ্ৰহণ কৰে নে নকৰে, সেইটোৱেই এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

গুৱাহাটীৰ পৰা ডুবাই-আবুধাবিলৈ

বিমানবন্দৰৰ পৰা সংযুক্ত আৰব আমিৰাত (UAE) ৰ দুখন প্ৰধান চহৰ ডুবাই আৰু আবুধাবিলৈ (পোনপটীয়া(বিৰতিহীন) বিমান সেৱা আৰম্ভ কৰা হ'ব। এয়াৰ ইণ্ডিয়া নামৰ ৰাষ্ট্ৰীয় বিমান সংস্থাই এই নতুন ৰুটটো পৰিচালনা কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম 'ক্ষ' শ্চপূৰ্বৰ টুইটাৰ) ৰ পৃষ্ঠাত পোষ্ট কৰি উল্লেখ কৰে। তেওঁ কয় যে এই বিৰতিহীন সেৱাই অসম আৰু বিশ্ব সম্প্ৰদায়ৰ মজৰ দুৰত্ব বহু পৰিমাণে হ্ৰাস কৰিব আৰু ৰাজ্যখনৰ বাণিজ্য, পৰ্যটন আৰু সাংস্কৃতিক বিনিময়ৰ দুৱাৰ মুকলি কৰিব। একেদৰে এই পদক্ষেপে গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ ভ্ৰমণ আৰু পৰিবহণৰ এক অন্যতম মুখ্য কেন্দ্ৰ হিচাপেও অধিক সুদৃঢ় কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে লিখিছে, "বিশ্ব সম্প্ৰদায়ৰ সৈতে অসমক সংযোগ কৰাৰ নতুন পথ মুকলি হৈছে।" তেওঁ আনন্দ প্ৰকাশ কৰি কয় যে ইউৰোপীয় ইউনিয়নৰ সদস্য ৰাষ্ট্ৰসমূহে অসমৰ বাবে জাৰি কৰি থকা ভ্ৰমণ নিষেধাঃ সম্প্ৰতি প্ৰত্যাহাৰ কৰাৰ কেইদিনমানৰ পাছতেই এই নতুন বিমান সেৱাৰ ঘোষণা দিব পৰাটো এক সুসংগত আৰু উৎসাহজনক ঘটনা। উল্লেখ্য যে এই নতুন সংযোগৰ ফলত গুৱাহাটীৰ পৰা বৰ্তমান UAE (ডুবাই আৰু আবুধাবি) ৰ লগতে থাইলেণ্ড, ছিংগাপুৰ আৰু ভূটানলৈও পোনপটীয়াকৈ উৰণ সম্ভৱ হ'ব। অসম চৰকাৰে ইতিমধ্যে দক্ষিণ-পূব এছিয়াৰ আন এখন গুৰুত্বপূৰ্ণ দেশ ভিয়েটনামলৈও পোনপটীয়া বিমান সংযোগ স্থাপনৰ বাবে কাম আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে উল্লেখ কৰে, "মোৰ পৰৱৰ্তী লক্ষ্য হৈছে ভিয়েটনামলৈ পোনপটীয়া বিমান সেৱা আৰম্ভ কৰা।" ইয়াৰ আগতে, ২০ জুন তাৰিখে মুখ্যমন্ত্ৰী ড° শৰ্মাই ইউৰোপীয় ইউনিয়নে অসমৰ প্ৰতি থকা ভ্ৰমণ সতৰ্কবাণী সংশোধন আৰু প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্তক স্বাগতম জনাইছিল। তেওঁ সেই সিদ্ধান্তক ৰাজ্যখনৰ নিৰাপদ পৰিবেশ আৰু আন্তঃৰাষ্ট্ৰীয় আস্থা বৃদ্ধিৰ প্ৰমাণ বুলি অভিহিত কৰি অসমীয়া জনসাধাৰণৰ বাবে ই এক গৌৰৱৰ বিষয় বুলি মন্তব্য কৰিছিল। এতিয়া ৪ আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া এই বিমান সেৱাই অসমৰ পৰা প্ৰবাসী ভাৰতীয়, ব্যৱসায়ী আৰু পৰ্যটকসকলৰ বাবে যাত্ৰা বহু সৰল আৰু সস্তীয়া কৰি তোলাৰ লগতে ৰাজ্যৰ অৰ্থনীতিতো ইতিবাচক প্ৰভাৱ পেলাব বুলি বিশেষঃ মহলে আশা প্ৰকাশ কৰিছে।

নীট ইউজি পুনৰ পৰীক্ষাত ভয়ংকৰ

আৰু এইমুহূৰ্তে ৰায়বৰেলী আৰু পাটনা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ শিক্ষাৰ্থীকে ধৰি মুঠ্ৰ ৰ গৰাকী লোকক গ্ৰেপ্তাৰ কৰে। এই গ্ৰেপ্তাৰৰ সংখ্যা আৰু বৃদ্ধি হোৱাবো আশংকা কৰা হৈছে। লক্ষ্মীচন্দ্ৰাইৰ আৰক্ষী অধীক্ষক প্ৰেৰণা কুমাৰে ইটিভি ভাৰতক জনোৱা মতে, প্ৰকৃত প্ৰাৰ্থীৰ সলনি বাহিৰৰ পৰা ভাৰতীয়া পৰীক্ষাৰ্থী অহাৰ গোপন তথ্য তেওঁলোকে লাভ কৰিছিল, যাৰ বাবে নিৰাপত্তা আৰু তালাচী অধিক কঠোৰ কৰা হৈছিল। এই তথ্যৰ ভিত্তিত আৰক্ষীয়ে বিভিন্ন চিকিৎসা প্ৰতিষ্ঠানৰ ছাত্ৰ থকা মুঠ ৯ গৰাকী ভাৰতীয়া পৰীক্ষাৰ্থীক গ্ৰেপ্তাৰ কৰে। যিসকল প্ৰকৃত পৰীক্ষাৰ্থীৰ স্থানত তেওঁলোকে পৰীক্ষা দিবলৈ আহিছিল, সেই প্ৰাৰ্থীসকললৈকো চিনাক্ত কৰি অতি সোনকালে গ্ৰেপ্তাৰ কৰা হ'ব বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে স্পষ্ট কৰে। ধৃত লোকসকলৰ পৰা মোবাইল ফোন আৰু অন্যান্য নথিপত্ৰ জব্দ কৰা হৈছে আৰু সেইবোৰৰ তথ্যৰ ভিত্তিত তদন্ত আগবঢ়োৱা হ'ব। ধৃত শিক্ষাৰ্থীসকলৰ ভিতৰত উল্লেখযোগ্য হৈছে সৌৰভ ঝা শ্চএইমুহূৰ্তে ৰায়বৰেলীৰ, মায়ংক কাশ্যপ শ্চপাটনা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ, অমন আগৰৱাল (শ্বাহদৰা, নতুন দিল্লীস্থ ইউ পি মেডিকেল কলেজৰ ইণ্টাণ), অৰ্পিত ৰাজ (অনুগ্ৰহ নাৰায়ণ মগধ মেডিকেল কলেজ হাস্পতাল), পুনম কুমাৰী শ্চবেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ এমবিবিএছ ছাত্ৰীয়া আৰু সঞ্জীত কুমাৰ শ্চনালন্দা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নাৰ্ছিং ছাত্ৰয়া। লকঞ্জম্বীচাবাইৰ মহকুমা আৰক্ষী বিষয়া শিৱম কুমাৰৰ মতে, হাছানপুৰৰ চৰকাৰী হাইস্কুল পৰীক্ষাকেন্দ্ৰত এজন ভুৱা পৰীক্ষাৰ্থী গ্ৰেপ্তাৰ হোৱাৰ পাছতেই সম্পূৰ্ণ চক্ৰটো পোহৰলৈ আহে। আৰক্ষী বিষয়াগৰাকীয়ে আৰু কয় যে ধৃত ব্যক্তিজনক জেৰা কৰাৰ পাছত তেওঁ স্বীকাৰ কৰে যে তেওঁৰ আন সহযোগীসকল কেন্দ্ৰীয় বিদ্যালয় আৰু কে আৰ কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আছিল, তাৰ পিছত আৰক্ষী দলবোৰে কেন্দ্ৰীয় বিদ্যালয়ৰ পৰা ৭জন আৰু কে আৰ কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা এজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰে জনোৱা মতে, ধৃত মায়ংক কাশ্যপ বৈশালী জিলাৰ হাজীপুৰৰ বাসিন্দা আৰু পাটনা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ তৃতীয় বৰ্ষৰ ছাত্ৰ। তেওঁ বায়'মেট্ৰিক পৰীক্ষাৰ দায়িত্ব থকা কোম্পানীৰ কৰ্মচাৰীৰ বেশ ধৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিছিল। তেওঁৰ সোধাপোছাৰ পাছত পৰীক্ষাৰ্থী প্ৰমাণীকৰণৰ বাবে নিয়োগ কৰা বায়'মেট্ৰিক কোম্পানীটোৰ কেইবাগৰাকীও কৰ্মচাৰীকো গ্ৰেপ্তাৰ কৰা হয়। উল্লেখযোগ্য যে মায়ংক কাশ্যপে পাটনা চিকিৎসা মহাবিদ্যালয় হাস্পতালত আয়োজন কৰা কুইজ প্ৰতিযোগিতাৰ পৰা পলায়ন কৰি পৰীক্ষাকেন্দ্ৰত উপস্থিত হৈছিল। ইফালে, বিহাৰৰ স্বাস্থ্য বিভাগে ৰাজ্যৰ সকলো চিকিৎসা মহাবিদ্যালয়ক নিৰ্দেশ দিছিল যে পৰীক্ষাৰ সময়ত ছাত্ৰসকলক কেম্পাছৰ বাহিৰলৈ যাবলৈ নিদিয়ে, তাৰ বাবে বাধ্যতামূলক আলোচনা চক্ৰ আৰু কুইজৰ আয়োজন কৰিব লাগে। তথাপি এই অনিয়ম ঘটাত বিভাগীয় নিৰ্দেশনা প্ৰশ্নবিদ্ধ হৈছে। আনহাতে, ধৃত অৰ্পিত ৰাজক ২০২৪ চনত বিহাৰ আৰু ঝাৰখণ্ডত সংঘটিত হোৱা নীট প্ৰশ্নকাকত ফাদিল ঘটনাৰ সন্দেহযুক্ত বুলি আৰক্ষীয়ে চিহ্নিত কৰিছে। জালিয়াতি চক্ৰটোৰে প্ৰতিজন পৰীক্ষাৰ্থীৰ পৰা ১০ লাখ টকাতকৈও অধিক ধন সংগ্ৰহ কৰিছিল বুলি আৰক্ষীয়ে জানিব পাৰিছে, আৰু এই ঘটনাই এতিয়া দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

বিধায়ক ৰূপে শপত ল'লে

আয়োজন কৰা হয়, য'ত এ আই ইউ ডি এফৰ কেইবাগৰাকীও নেতা আৰু প্ৰাক্তন বিধায়কে উপস্থিতি জনায়। শপত গ্ৰহণৰ পাছত আজমলে সংবাদ মাধ্যমৰ সন্মুখত কয় যে তেওঁ দলৰ সৈতে বিস্তাৰিত আলোচনা কৰিয়েই ৰাজিক ৰাজনীতিলৈ যুঁহি আহাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ উল্লেখ কৰে যে বহুদিন ৰাষ্ট্ৰীয় ৰাজনীতিত সক্ৰিয় থকাৰ পাছত তেওঁ অনুভৱ কৰিছিল যে স্থানীয় ৰাজিক ৰাজনীতিত পুনৰ অংশগ্ৰহণ কৰা উচিত, গতিকে দলৰ সিদ্ধান্ত মৰ্মে তেওঁ বিন্নাকান্দিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু জনসাধাৰণৰ বিপুল সমৰ্থন লাভ কৰে। এই শপত গ্ৰহণৰ যোগেদি দীৰ্ঘ প্ৰায় দুটা দশকৰ অন্তত তেওঁ পুনৰ অসম বিধানসভাত পদাৰ্পণ কৰিলে। ৰাজ্যত চলি থকা উচ্ছেদ আৰু বেদখল বিৰোধী অভিযানৰ প্ৰসঙ্গত আজমলে কয় যে চৰকাৰে সাধাৰণ ৰাইজৰ বিৰুদ্ধে যিকোনো কঠোৰ পদক্ষেপ লোৱাৰ আগতে সঠিক দলিল-পত্ৰ পৰীক্ষা আৰু উপযুক্ত আৱাসিক সংস্থাপনৰ নিশ্চয়তা দিয়া উচিত। তেওঁ লগতে স্পষ্ট কৰে যে তেওঁলোকৰ দলে এই বিষয়সমূহ আইনী আৰু ৰাজনৈতিকভাৱে উত্থাপন কৰি যাব আৰু প্ৰয়োজন অনুসৰি উচ্চতম ন্যায়ালয়লৈ ধাৱস্থ হ'ব। সংখ্যালঘু প্ৰতিনিধিসকলৰ ভূমিকা সম্পৰ্কে আজমলে মত প্ৰকাশ কৰি কয় যে নিৰ্বাচিত নেতাসকল প্ৰাথমিক কৰ্তব্য হৈছে জনসাধাৰণৰ কল্যাণ সাধন কৰা, আৰু তেওঁ সেই দৃষ্টিভংগীৰেই নিজৰ কাৰ্যসূচী আগবাঢ়ি নিব।

খাগুং বান্ধৰ ৭ নং গেট মুকলি; নামনি

কৰ্তৃপক্ষই বান্ধটোৰ স্পিলৱে গেট খুলি দিবলৈ বাধ্য হয়। প্ৰকাশিত তথ্যমতে, ৭খন গেট একেলগে মুকলি কৰি দিয়া হৈছে, যাৰ ফলত তীব্ৰ সোঁতৰে পানী নামনি অঞ্চললৈ বৈ যাবলৈ ধৰিছে। ইফালে, এই সিদ্ধান্তই কপিলীৰ পাৰৰ নিম্নাংশত থকা অঞ্চলসমূহত বানৰ আশংকা গভীৰ কৰি তুলিছে। বিশেষকৈ হোজাই, পশ্চিম কাৰ্বি আংলং আৰু যমুনামুখৰ নৈপৰীয়া গাওঁবোৰৰ বাসিন্দাসকলৰ মাজত আতংক ছপাইছে। বহুতে নিজা ঘৰ-দুৱাৰ এৰি নিৰাপদ স্থানলৈ যোৱাৰ প্ৰস্তুতি আৰম্ভ কৰিছে। অঞ্চলবাসীৰ সতৰ্কতাৰ খাতিৰত জিলা প্ৰশাসনে জনসাধাৰণক নৈৰ পাৰৰ পৰা আঁতৰি থাকিবলৈ আৰু প্ৰয়োজনসাপেক্ষে নিৰাপদ আশ্ৰয়ত থাকিবলৈ আহ্বান জনাইছে। একে সময়তে প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহে পৰিস্থিতি নিৰন্তৰ পৰ্যবেক্ষণ কৰি আছে আৰু যিকোনো পৰিস্থিতি মোকাবিলা কৰিবলৈ প্ৰস্তুত বুলি জনাইছে। উল্লেখযোগ্য যে ১৭ জুনত নীপকোনাৰ ইতিমধ্যে এখন সতৰ্কতামূলক জাননী জাৰি কৰি কৈছিল যে পৰিস্থিতি অনুসৰি নিশাৰ ভাগত গেটসমূহ পৰ্যায়ক্ৰমে খোলা হ'ব। কিন্তু প্ৰত্যক্ষভাৱে ৭খন গেট একেলগে মুকলি হোৱাত নামনি অঞ্চলৰ ৰাইজে স্বাভাৱিকতে অধিক চিন্তা প্ৰকাশ কৰিছে। ৰবষুণৰ প্ৰকোপ য'ত হ্ৰাস নাপাব, তেনে অৱস্থাত পানীৰ স্তৰ আৰু অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা থকাত প্ৰশাসনক লৈকে সকলো পক্ষ সতৰ্ক হৈ পৰিছে। কোনো ধৰণৰ অনাকাংক্ষিত পৰিঘটনা যাতে সংঘটিত নহয়, তাৰ বাবে ৰাইজক শান্ত আৰু সজাগ হৈ থাকিবলৈ অনুৰোধ জনাইছে প্ৰশাসনে।

লক্ষ্মৌত কোচিং চেণ্টাৰৰ

প্ৰত্যক্ষদৰ্শীসকলৰ মতে, অগ্নিকাণ্ডৰ পৰাই অট্টালিকাটো কালো ধোঁৱাই আচ্ছন্ন কৰি পেলায় আৰু কক্ষত পঢ়ি থকা শিক্ষাৰ্থীসকলৰ মাজত ততাতৈয়াকৈ আতংকৰ সৃষ্টি হয়। সংকটময় পৰিস্থিতিত বহুতে প্ৰাণ বচাবলৈ বিল্ডিংৰ ওপৰৰ মহলা পৰ্যন্ত গৈ আৰু তাৰ পৰা জঁপিয়াই পৰে। ঘটনাৰ তীব্ৰতা অনুধাৱন কৰি তাৎক্ষণিকভাৱে ঘটনাস্থলীত উপস্থিত হয় উত্তৰপ্ৰদেশৰ আৰক্ষী সঞ্চালক প্ৰধান ৰাজীব কৃষ্ণ আৰু উদ্ধাৰকাৰ্য আৰম্ভ কৰা হয়। এই উদ্ধাৰ অভিযান এতিয়াও চলি আছে বুলি আৰক্ষী সূত্ৰে জনাইছে। একেদৰে, ৰাজ্যৰ উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকো ঘটনাস্থলী পাইছেহি আৰু তেওঁ প্ৰশাসনিক বিষয়াসকলৰ সৈতে পৰিস্থিতিৰ সম্পৰ্কে আলোচনা কৰি আছে। কিন্তু অগ্নিকাণ্ডটো কেনেকৈ আৰম্ভ হ'ল সেই কাৰণ এতিয়ালৈকে সম্পূৰ্ণভাৱে জানিব পৰা নোৱাৰি। এই শোকাবহ সংবাদ লাভ কৰাৰ লগে লগে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আলিগড় জিলাত চলি থকা তেওঁৰ কাৰ্যসূচী তাৎক্ষণিকভাৱে বাতিল কৰে। জানিব পৰা মতে, আলিগড় ত এখন উদ্যোগী আৰু আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি থকাৰ সময়তেই তেওঁ এই দুৰ্যোগৰ খবৰ পায়। খবৰ পোৱাৰ পিছত কোনো বিলম্ব নকৰাকৈ মুখ্যমন্ত্ৰী লক্ষ্ণৌৰ লগে উভতি আহে আৰু প্ৰত্যক্ষভাৱে পৰিস্থিতিৰ বুজ লোৱাৰ লগতে উদ্ধাৰ আৰু চিকিৎসা ব্যৱস্থা শক্তিশালী কৰিবলৈ নিৰ্দেশ দিয়ে। ইফালে, ৰাষ্ট্ৰীয় পৰ্যায়তো এই ঘটনাই তীব্ৰ শোকৰ সৃষ্টি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰি এই দুৰ্ঘটনাক অত্যন্ত হৃদয়বিদাৰক বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী কাৰ্যালয়ে জনোৱা মতে, নিহত হোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ নিকট আত্মীয়লৈ চ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব, লগতে আহত হোৱাসকলক ৫০ হাজাৰ টকাকৈ দিয়া হ'ব। এই সাহায্য ৰাজ্যৰ পৰিস্থিতি তহিলৰ পৰা প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়া হৈছে। ইতিমধ্যে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে প্ৰশাসনে, যদিও অগ্নিকাণ্ডৰ মূল কাৰণ উদঘাটন কৰিবলৈ তদন্তকাৰী দলবোৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

বদলিৰ নামত দুৰ্নীতি সহ্য নহ'ব ঃ জয়ন্ত

অপচয় ৰোধ আৰু বন বিভাগৰ লগতে আন আন বিভাগসমূহৰ মাজত সমন্বয় বৃদ্ধিৰ দিশত বিস্তৃত আলোচনা কৰা হয়। ফলাফলমুখী দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দি মন্ত্ৰীগৰাকীয়ে কয় যে সংৰক্ষণ আৰু পৰিবেশ সুৰক্ষাৰ প্ৰতিশ্ৰু

ৰাষ্ট্ৰীয় চিনিয়ৰ এণ্ড মাষ্টাৰ্চ কিক্ বক্সিং চেম্পিয়নশ্বিপত অসম দলত স্থান লাভ কাকপথাৰৰ সোণেশ্বৰ বড়াৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২২ জুন ঃ আগন্তুক ১-৫ আগষ্টলৈকে গুজৰাটৰ আহমেদাবাদৰ বীৰ সাভাৰকাৰ স্পৰ্ট চ কমপ্লেক্সত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় চিনিয়ৰ এণ্ড মাষ্টাৰ্চ কিকবক্সিং চেম্পিয়নশ্বিপত অসম দলত স্থান লাভ কৰিছে তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সুদক্ষ খেলুৱৈ তথা অসম আৰক্ষীৰ লেফনায়ক সোণেশ্বৰ বড়াই। ভাৰতৰ প্ৰায় ৩০খন ৰাজ্যৰ প্ৰায় ৭০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ ৯৪ কেজি শাখাত অসম দলৰ হৈ অংশগ্ৰহণৰ সুযোগ লাভ কৰা আন্ত: ৰাষ্ট্ৰীয় কিকবক্সিং খেলুৱৈ সোণেশ্বৰ বড়াই যোৱা বৰ্ষৰ জুলাই মাহত ছত্তিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত হোৱা Senior National kickboxing Championship ত ৯৪ কেজি শাখাত ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হৈছিল। উক্ত প্ৰতিযোগিতাত মুঠ ৩৩খন ৰাজ্যৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ইয়াৰ পূৰ্বে ২০১৮ চনত থাই লেণ্ডৰ বেংককত অনুষ্ঠিত হোৱা International Kickboxing Championship ত ৰূপৰ পদক অৰ্জন কৰা সোণেশ্বৰ বড়াই কিকবক্সিং খেলত এতিয়ালৈকে ভাবতক তিনিবাৰকৈ প্ৰতিনিধিত্ব কৰিছে। ২০০৭ চনত নেপালত অনুষ্ঠিত হোৱা International kickboxing Championship ৰ লগতে ২০০৯ চনত শ্ৰীলংকাত অনুষ্ঠিত হোৱা International kickboxing Championship ত সোণৰ পদক অৰ্জন কৰা সোণেশ্বৰ বড়াই এতিয়ালৈকে মুঠ ১৫বাৰ ৰাজ্যিক পৰ্যায়ৰ কিকবক্সিং খেলত পদক বুটলিবলৈ সক্ষম হোৱাৰ লগতে ৮বাৰকৈ ৰাষ্ট্ৰীয় পদক পাবলৈ সক্ষম হৈছে। নিজৰ কৰ্মদক্ষতা আৰু সাহসিকতাৰ বাবে ২০১৮ চনত DGP RECOMMENDATION MEDAL আৰু ২০১৬ চনত ANTRIC SURAKSHA SEVA PADAK লাভ কৰিবলৈ সক্ষম হৈছিল সোণেশ্বৰ বড়াই। খেলৰ সমান্তৰালকৈ সংগীতৰ সৈতেও জড়িত তেওঁৰ পুলিচৰ গীতৰ ভিডিঅ'সমূহ জনে যুঁজাৰু দা বেটেলিয়ান', 'চকু', 'বণুৱা দ্যা ৰাৰিয়াৰ' আদিয়ে ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সেইদৰে 'পেটং বিহু', 'বগাকাই', 'লান্দু শাদপতি' আদি তেওঁৰ জনপ্ৰিয় বিহুগীত। আনহাতে 'বঙ্গাৰ' তেওঁৰ এটি মিউজিকেল ভিডিঅ'। আন্ত: ৰাষ্ট্ৰীয় বঙ্গাৰ তথা এচিয়ান গেমচত সোণৰ পদকৰ লগতে শ্ৰেষ্ঠ বঙ্গাৰৰ সন্মান লাভ কৰা অসম কন্যা কল্পনা চৌধুৰীৰ বক্সিং জীৱনৰ লৈ কৰা গানৰ ভিডিঅ' হৈছে এই 'বঙ্গাৰ'। উল্লেখ্য যে, ২০১০ চনত অসম আৰক্ষীত যোগদান কৰা সোণেশ্বৰ বড়াই ১৪ বছৰ বাঙ্গা জিলাৰ চবাইমাৰিস্থিত ২৪ নং অসম আৰক্ষী বেটেলিয়নত কৰ্তব্য সম্পাদন কৰাৰ পিছত সম্প্ৰতি ডুমডুমা সমজিলা আৰক্ষী অধীক্ষকৰ ব্যক্তিগত নিৰাপত্তাৰক্ষী (পি এছ অ') হিচাপে কৰ্মৰত। সোণেশ্বৰ বড়াৰ ঘৰ কাকপথাৰৰ কাচৰবস্তিত। পিতৃ প্ৰয়াত প্ৰফুল্ল বড়া আৰু মাতৃ প্ৰয়াত বীণাপাণি বড়া। দুয়ো প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আছিল। ২০১৯ বৰ্ষত নতুন দিল্লীৰ ৰাজেন্দ্ৰ ভৱনত 'বাবু জগজীৱন ৰাম ৰাষ্ট্ৰীয় বীঁটা'ৰে সন্মানিত হোৱা সোণেশ্বৰ বড়া

অসম আৰক্ষীৰ এগৰাকী কৰ্তব্যপৰায়ণ আৰু নিষ্ঠাবান জোৱানৰ লগতে এগৰাকী সুদক্ষ খেলুৱৈ। ২০০২ চনত কুংফুৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়াৰ ক্ষেত্ৰখনত খোজ পেলোৱা সোণেশ্বৰ বড়াৰ দৰে এগৰাকী সুদক্ষ খেলুৱৈ এটা জাতিৰ গৌৰৱ হোৱাৰ উপৰিও দেশৰ সম্পদস্বৰূপ। অসমৰ সম্ভাৱনাপূৰ্ণ ক্ৰীড়া ক্ষেত্ৰখনলৈ আশা আৰু অনুপ্ৰেৰণাৰ ধল বোৱাই অনাৰ লগতে অসম আৰক্ষীক গৌৰৱান্বিত কৰা সুদক্ষ তথা আন্ত: ৰাষ্ট্ৰীয় কিকবক্সিং খেলুৱৈ, গায়ক, অভিনেতা সোণেশ্বৰ বড়াৰ এই জয়যাত্ৰা যেন আগলৈও অব্যাহত থাকক, তাকেই সকলোৱে কামনা কৰিছে।

বিশ্বৰ শীৰ্ষ ৫ শতাংশ বিজ্ঞানীৰ তালিকাত শিৱসাগৰৰ চেপনৰ ড° ৰবীন গগৈ

নিজা গাঁও হ'লগুৰিত আনন্দৰ জোৱাৰ

অসম বাৰ্তা, চেপন, ২২ জুন ঃ উজনি অসমৰ শিৱসাগৰ জিলাৰ চেপন হ'লগুৰিৰ সুযোগ্য সন্তান তথা বৰ্তমান গুৱাহাটীস্থিত অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ বিজ্ঞান ফেকাল্টিত অধ্যাপক আৰু বিশেষ কৰ্তব্যৰত বিষয়া (Professor & OSD) হিচাবে কৰ্মৰত ড° ৰবীন গগৈয়ে SciRank Global Sciecntist Index 2025ত বিশ্বৰ শীৰ্ষ ৫ শতাংশ বিজ্ঞানীৰ তালিকাত স্থান লাভৰ বতৰাই বিজ্ঞানী গৰাকীৰ নিজা গাঁওখনত আনন্দৰ জোৱাৰ আনিছে। উল্লেখ্য যে 'SciRank Global Sciecntist Index' হৈছে এক সন্মানজনক আন্তৰ্বাষ্ট্ৰীয় মূল্যায়ন ব্যৱস্থা। যাৰ যোগেদি বিশ্বৰ বিভিন্ন গৱেষকসকলৰ গৱেষণা কাৰ্য, প্ৰকাশন, উদ্ধৃতি আৰু সমাহিক বৈজ্ঞানিক অৱদানৰ ভিত্তিত বিশ্বজুৰি বিজ্ঞানীসকলৰ মূল্যায়ন কৰে। তথ্য আধাৰিত আৰু অত্যাধুনিক বায়মেট্ৰিক পদ্ধতিৰ সহায়ত এই সূচকে বিশ্বৰ লাখ লাখ সক্ৰিয় গৱেষকৰ প্ৰফাইল আৰু গৱেষণা প্ৰকাশন পৰীক্ষা কৰি বিশ্বজুৰি সৰ্বাধিক প্ৰভাৱশালী তথা কৰ্মদক্ষ গৱেষক, বিজ্ঞানীসকলক চিনাক্ত কৰে। জানিব পৰা মতে শেহতীয়া ২০২৫ বৰ্ষৰ মূল্যায়ন প্ৰক্ৰিয়াত বিশ্বৰ ১৫০ খনৰো অধিক ৰাষ্ট্ৰৰ এক কোটিৰো অধিক বিজ্ঞানী, গৱেষকক সামৰি লোৱা হৈছিল। উল্লেখ্য যে শিৱসাগৰ জিলাৰ চেপন হলগুৰিৰ নিবাসী প্ৰয়াত ভুৱন চন্দ্ৰ গগৈ আৰু মাতৃ প্ৰয়াত লীলা গগৈৰ জ্যেষ্ঠ পুত্ৰ ৰবীন গগৈয়ে দেউতাকৰ কৰ্মসূত্ৰে তিনিচুকীয়া জিলাৰ ডমডুমাস্থিত 'তাৰা চাহ বাগিচা'ত জন্ম গ্ৰহণ কৰিছিল আৰু ডুডুমাতেই শৈক্ষিক জীৱনৰ পাতনি মেলিছিল। প্ৰাথমিক বিদ্যালয়ৰ পৰাই মেধা শক্তিৰ উমান দিবলৈ সক্ষম হোৱা ৰবীন গগৈয়ে ১৯৭৮ চনত ডুমডুমা ফুলাল উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান উচ্চতৰ মাধ্যমিক)ৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। পৰৱৰ্তীসময়ত যোৰহাট চহৰৰ জগন্নাথ বৰুৱা মহাবিদ্যালয় (বৰ্তমান জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়)ত প্ৰাক্ স্নাতক বিজ্ঞান শাখাত নাম ভৰ্তি কৰে আৰু ১৯৮১ চনত তাৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ পৰৱৰ্তী ১৯৮৭ চনত অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ পৰা প্ৰথম শ্ৰেণীত কৃষি স্নাতক আৰু ১৯৮৯ চনত একে খন বিশ্ববিদ্যালয়ৰ পৰা 'পাপদ ৰোগ বিজ্ঞান বিষয়ত 'মেধা পদক' (Merit Medal) সহ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্মৰ্তব্য যে ছাত্ৰ জীৱনত নিজৰ মেধা শক্তিৰ বলত অলেখ সাফল্য অৰ্জন কৰা ড° ৰবীন গগৈয়ে ১৯৯০ চনত যোৰহাটস্থিত অসম কৃষি বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপক পদত যোগদান কৰিছিল। বিশ্ববিদ্যালয়ৰ অধ্যাপনা কৰ্মৰ মাজতে ১৯৯৭ চনত বিজ্ঞানী ড° ৰবীন গগৈয়ে দিল্লীস্থিত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান (IARI)ৰ পৰা 'পাপদ ৰোগ বিজ্ঞান' বিষয়ত স্বৰ্ণপদকসহ সন্মানীয় ডক্টৰেট ডিগ্ৰী গ্ৰহণ কৰিবলৈ সক্ষম হয়। আনহাতে ২০০৬ চনত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান (IARI)ত এগৰাকী অধ্যাপক আৰু বিজ্ঞানী হিচাবে যোগদান কৰা আৰু পৰৱৰ্তী সময়ত প্ৰতিষ্ঠানটোৰ বিভাগীয় মুৰব্বীৰ দায়িত্ব লৈ ২০২৪ বৰ্ষৰ ডিচেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰে। বিজ্ঞানী ড০ ৰবীন গগৈয়ে তেখেতৰ অধ্যাপনাৰ কৰ্মজীৱনত শ্ৰেষ্ঠ বিজ্ঞানী, শ্ৰেষ্ঠ শিক্ষক আদি একুৰিবো অধিক ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতীয় পৰ্যায়ৰ সন্মান , ১৫০ বো অধিক আদি উচ্চ মানবিশিষ্ট গৱেষণা পত্ৰ, ৭খনকৈ গৱেষণা উপযোগী গ্ৰন্থ প্ৰকাশ কৰাৰ উপৰিও কানাডা, চীন, থাইলেণ্ড, টাইৱান, নেপালকে ধৰি বহুকেইখন ৰাষ্ট্ৰৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠানত নিজৰ গৱেষণা পত্ৰ পাঠ কৰি সুখ্যতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এটা সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা আৰু নিজেও পত্নীসহ দুই সন্তানৰ সৈতে বৰ্তমান সাধাৰণ ৰূপত জীৱন নিৰ্বাহ কৰা অত্যন্ত সৰল মনৰ বিজ্ঞানীগৰাকীয়ে বিজ্ঞান জগতখনলৈ আগবঢ়োৱা অৱদানৰ ভিতৰত অন্যতম আছিল ১৯৯০ চনৰ পৰা অসমত খাদ্যোপযোগী কাঠফুলা খেতিৰ প্ৰচলন. প্ৰসাৰণ আৰু জনপ্ৰিয়কৰণ' কৰা, ২০১৪ চনৰ পৰা ন'ডেল বিষয়া হিচাবে গুৰু দায়িত্ব পালন কৰি উত্তৰ অসমৰ ধেমাজি জিলাৰ গোণামুখৰ দিৰপাই চাপৰিত ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR)ৰ অধীনত নতুন দিল্লীৰ অনুৰূপ 'ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, অসম' (IARI, Assam) প্ৰতিষ্ঠা কৰা। উল্লেখ্য যে বুৰঞ্জীয়ে পৰশী শিৱসাগৰৰ বিজ্ঞানী ড° ৰবীন গগৈৰ শেহতীয়া সাফল্যত ডু মডু মাৰ ফুলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে, তেওঁৰ নিজা গাঁও চেপন হলগুৰি, ভাধৰা গাঁও, স্থানীয় অগ্ৰণী সামাজিক অনুষ্ঠান হলগুৰি ৰূপালী যুৱক সংঘ ও পুথিভঁৰাল, বকতা-খাঁলৈঘোগুৰা সংস্কৃতি আৰু জনকল্যাণ সমিতি, পূৰ্বাঞ্চল তাই সাহিত্য সভা, অসমৰ মফচলীয়া সাংবাদিকসকলৰ সংগ্ৰামী মঞ্চ 'আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন (আপ্কু), চেপন জাতীয় বিদ্যাপীঠ, জাতীয় বিদ্যাপীঠ, পাবিজাতকে আদি কৰি বিভিন্ন ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানে আনন্দ প্ৰকাশ কৰি বিজ্ঞানী গৰাকীলৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰাৰ লগতে অনাগত দিনত বিজ্ঞান জগতখনত অধিক সফলতা কামনা কৰিছে।

বিহালীত সম জিলা প্ৰশাসনৰ উদ্যোগত ১২ সংখ্যক আন্তৰ্জাতিক যোগ দিৱস পালন উপস্থিত বিহালীৰ বিধায়ক মুনিন্দ্ৰ দাস

অসম বাৰ্তা, জিনজিয়া, ২২ জুন ঃ আজি ২১ জুন আন্তৰ্জাতিক যোগ দিৱস বিহালী সম জিলা প্ৰশাসনৰ উদ্যোগত আজি নীতি নিয়মৰ মাজেৰে পালন কৰা হয় ১২ সংখ্যক আন্তৰ্জাতিক যোগ দিৱস। বৰগাং শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহতত অনুষ্ঠিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিহালী সমষ্টিৰ বিধায়ক মুনিন্দ্ৰ দাস। এই যোগ দিৱসৰ প্ৰশিক্ষক হিচাপে আঁত ধৰে ভীষ্ম শৰ্মাই পুৱা সমূহীয়া যোগাভ্যাসৰ কাৰ্যসূচীৰে দিনটোৰ আৰম্ভণি কৰা হয়। সম জিলা উপায়ুক্ত কবিতা কৌৰৰ কিকতী প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, আৰক্ষী, চিকিৎসক, শিক্ষক-শিক্ষয়িত্ৰী, বিজেপি দলৰ কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰীৰ লগতে বহু সংখ্যক স্থানীয় বাইজে যোগা দিৱসত অংশগ্ৰহণ কৰে। প্ৰশিক্ষকৰ নিৰ্দেশনাত বিভিন্ন ধৰণৰ যোগাসন আৰু প্ৰাণায়াম কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক মুনিন্দ্ৰ দাসে কয়, "নিয়মীয়া যোগাভ্যাসে শাৰীৰিক আৰু মানসিক স্বাস্থ্য সবল কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাত যোগে আজি বিশ্ব দৰবাৰত স্বীকৃতি লাভ কৰিছে। আমি সকলোৱে ইয়াক জীৱনৰ অংগ কৰি তুলিব লাগে।" লগতে সম জিলা উপায়ুক্ত গৰাকীয়ে কয় নিজৰ লগতে নিজৰ ল'ৰা ছোৱালীক এই অভ্যাস সদায় কৰিবলৈ আহ্বান জনায়। যোগ প্ৰশিক্ষক গৰাকীয়ে যোগৰ উপকাৰিতা সম্পৰ্কে সজাগতা সৃষ্টিৰাবে যোগৰ উপকাৰী সম্পৰ্কে মন্তব্য প্ৰদান কৰে।

পলাহগড়ত আন্তৰ্জাতিক যোগ দিৱস

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২২ জুন ঃ পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ উদ্যোগত, সামাজিক অনুষ্ঠান 'মনযায়' আৰু 'চাই ল্ড আৰ্ট এণ্ড ক্ৰাফট একাডেমী'ৰ সহযোগত আজি আন্তৰ্জাতিক যোগ দিৱস অতি উমহ-মালহেৰে পালন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে পুৱা গছপুলি ৰোপন কৰে সমাজ সেৱক প্ৰকৃতিপ্ৰেমী গোপাল দেৱ শৰ্মা আৰু 'অসমীয়া প্ৰতিদিন'ৰ টংলাৰ জ্যেষ্ঠ সংবাদকৰ্মী নাৰায়ণ ডেকাই। ইয়াৰ পাছতেই বন্তি প্ৰস্তুলন কৰি যোগ অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে ৰুগাঁও ভিচিডিচিৰ অধ্যক্ষ হৰেশ্বৰ ডেকাই। তেওঁ নিজৰ ভাষণত সুস্থ সমাজ নিৰ্মাণত যোগাভ্যাসৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় আজিৰ এই বিশেষ দিনটোত, আন্তৰ্জাতিক যোগ দিৱসৰ উপলক্ষে পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চই যিটো প্ৰয়াস হাতত লৈছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। যোগ কেৱল শাৰীৰিকব্যায়ামনহয়, ইহেছে আমাৰ শৰীৰ, মন আৰু আত্মাৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰাৰ দৰ্শন। আজিৰ এইব্যস্ততাপূৰ্ণ জীৱনশৈলীত আমি নিজৰ স্বাস্থ্যৰ কথা পাহৰি গৈছোঁ। কিন্তু যোগ হৈছে আমাৰ স্বাস্থ্য অটুট কথাৰ আটাইতকৈ সস্তীয়া আৰু ফলপ্ৰসূ উপায়। আজি বিশেষকৈ আমাৰ মাতৃসকল আৰু ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ গুৰুত্ব বুজি উঠি এই কাৰ্যসূচীত যোগ দিয়াটো এক ইতিবাচক লক্ষণ বুলিও কয়। তেওঁ সকলোকে যোগক কেৱল আজিৰ এই দিনটোতে সীমাবদ্ধ নাথাকি প্ৰত্যেকেই ইয়াক আমাৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ কৰিলবলৈ আহ্বান জনাই। যোগ প্ৰশিক্ষক অৰূপ বৰুৱাই প্ৰশিক্ষণ কৰা শিবিৰত যৌগীক জগিং, আসন, প্ৰনায়াম, ধ্যান, সূৰ্যনমস্কাৰৰ আদিৰ উপকাৰিতাৰ সম্পৰ্কত অৱগত কৰে। যোগৰ অনুষ্ঠানটোত কনকলতা, ৰামধেনু আৰু চন্দ্ৰমা গ্ৰাম্য সংগঠনৰ অন্তৰ্গত আয়ুষ্মান গোচিসমূহৰ প্ৰায় শতাধিক মহিলাই অংশগ্ৰহণ কৰে। লগতে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগাসন প্ৰদৰ্শন কৰি এক উৎসাহী পৰিবেশৰ সৃষ্টি কৰে। আজিৰ এই বিশেষ অনুষ্ঠানত ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সভাপতি হিতেশ্বৰ শৰ্মা, টংলা প্ৰেছ ক্লাবৰ সভাপতি ফটিক নন্দন ৰাভা, মনযায় অনুষ্ঠানৰ কোষাধ্যক্ষ ভবেন স্বৰ্গীয়াৰী, চাইল্ড আৰ্ট এণ্ড ক্ৰাফট একাডেমীৰ শিক্ষক দীপাংকৰ হাজৰিকা, পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ সম্পাদক অৰূপ ডেকা, মুখপত্ৰ হিৰকজ্যোতি ডেকা আৰু হিমাংশু ৰাভাৰ লগতে বহু গণমান্য ব্যক্তি উপস্থিত থাকে।

বাঘজান অঞ্চলৰ বিশিষ্ট সমাজসেৱিকা যোগেশ্বৰী হাজৰিকাৰ পৰলোক, অঞ্চলজুৰি শোকৰ ছাঁ

অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২২ জুন: বাঘজান-দীঘলটৰং গাঁৱৰ প্ৰাক্তন চৰকাৰী গাঁওপ্ৰধান তথা বিশিষ্ট সমাজকৰ্মী ৰজনী হাজৰিকাৰ পত্নী, বৰ্তমান বাঘজান-দীঘলটৰং গাঁৱৰ চৰকাৰী গাঁওপ্ৰধান মনোজ হাজৰিকাৰ মাতৃ তথা বিশিষ্ট সমাজসেৱিকা যোগেশ্বৰী হাজৰিকাই দেওবাৰে পুৰতিনিশা ৭৪ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। উল্লেখ্য, যোগেশ্বৰী হাজৰিকাই সমাজ উন্ত ৰণৰ হকে অঞ্চলটোত সক্ৰিয়ভাৱে জড়িত হৈ আছিল। গোপিনীসকলৰ ভিতৰত অনন্য দায়িত্ব পালন কৰা যোগেশ্বৰী হাজৰিকাই শেহতীয়াকৈ স্বাস্থ্যজনিত কাৰণত এই সংসাৰৰ পৰা মেলানি মাগে। এই খবৰ পিছতে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত স্বামী, দুই পুত্ৰ-বোৱাৰী, নাতি-নাতিনী, আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়।

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বৰপেটা জিলাজুৰি বিভিন্ন কাৰ্যসূচী; বৰষুণে ব্যাহত কৰিলে উদ্‌যাপনৰ কিছু অংশ

অসম বাৰ্তা, কুমুন্নী পৰা, ২২ জুন ঃ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আজি বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান, শিক্ষানুষ্ঠান, সামাজিক সংগঠন আৰু স্বাস্থ্যসচেতন নাগৰিকসকলৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে দিৱসটো পালন কৰা হয়। যোগাভ্যাসৰ জৰিয়তে সুস্থ শৰীৰ আৰু সুস্থ মন গঢ়ি তোলাৰ বাৰ্তা প্ৰচাৰৰ লক্ষ্যৰে আয়োজিত অনুষ্ঠানসমূহত বহু লোকে উৎসাহেৰে অংশগ্ৰহণ কৰে। জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, ক্ৰীড়া সংগঠন, স্বাস্থ্য বিভাগ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহে যোগাভ্যাস, সচেতনতামূলক আলোচনা আৰু স্বাস্থ্য বিষয়ক কাৰ্যসূচী আয়োজন কৰে। অংশগ্ৰহণকাৰীসকলে নিয়মীয়া যোগচৰ্চাৰ উপকাৰিতা সম্পৰ্কে মত বিনিময় কৰাৰ লগতে দৈনন্দিন জীৱনত যোগাভ্যাসক অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কিন্তু দিনটোৰ আৰম্ভণিৰে পৰা হোৱা অবিৰত বৰষুণে বহু স্থানত কাৰ্যসূচী ৰূপায়ণত অসুবিধাৰ সৃষ্টি কৰে। খোলা আকাশৰ তলত অনুষ্ঠিত হ'বলগীয়া বহু অনুষ্ঠান বাতিল অথবা স্থানান্তৰ কৰিবলগীয়া হয়। আন কিছুমান স্থানত অংশগ্ৰহণকাৰীৰ সংখ্যা কমি যোৱাৰ লগতে পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচীত কিছু পৰিৱৰ্তন আনিবলগীয়া হয়। তাৰ পিছতো যোগপ্ৰেমী আৰু আয়োজকসকলে বৰষুণক অৱজ্ঞা কৰি ইনড'ৰ হল, বিদ্যালয়ৰ কক্ষ আৰু আৱদ্ধ স্থানত কাৰ্যসূচীসমূহ সম্পন্ন কৰাৰ চেষ্টা চলায়। বহু অংশগ্ৰহণকাৰীয়ে মত প্ৰকাশ কৰে যে প্ৰতিকূল বতৰৰ মাজতো যোগাভ্যাসৰ প্ৰতি মানুহৰ আগ্ৰহ হ্ৰাস পোৱা নাই, বৰঞ্চ সুস্থ জীৱনশৈলীৰ প্ৰতি সচেতনতা ক্ৰমাৎ বৃদ্ধি পাইছে। উল্লেখ্য যে, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস বিশ্বজুৰি প্ৰতি বছৰে ২১ জুনত পালন কৰা হয়। শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক সুস্থতাৰ বাবে যোগাভ্যাসৰ গুৰুত্ব কিশ্বব্যাপী প্ৰচাৰ কৰাৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। বৰপেটা জিলাতো এইবাৰৰ দিৱস উদযাপনে স্বাস্থ্যসচেতনতা আৰু সুস্থ জীৱনধাৰাৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহ পুনৰবাৰ প্ৰতিফলিত কৰিছে।

সাংবাদিকৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী

গোলাঘাট জিলা সাংবাদিক সংস্থাৰ ন-পুৰণি সতীৰ্থ সন্মিলন সম্পন্ন

নতুন সভাপতি নগেন বৰা আৰু সাধাৰণ সম্পাদক প্ৰণৱ চক্ৰৱৰ্তীৰ দায়িত্বভাৰ গ্ৰহণ



অসম বাৰ্তা, দেৰগাঁও, ২২ জুন ঃ গোলাঘাট জিলা সাংবাদিক সংস্থাৰ ন-পুৰণি সতীৰ্থ সন্মিলন খনি আজি গোলাঘাট জিলা সাংবাদিক সংস্থাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। সংস্থাৰ বিদায়ী সভাপতি ৰোহিত গগৈৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদায়ী সাধাৰণ সম্পাদক গিৰীণ বৰাই। সভাত উপদেষ্টা সোণাৰাম ভৰালী, উপসভাপতি অৰুণ বিকাশ বৰুৱা, কাৰ্যকৰী সভাপতি দ্বীপেন কুমাৰ বৰা, সহ সম্পাদক হিৰণ্য গগৈ আদিয়ে নতুন সমিতিখনক শুভেচ্ছা জ্ঞাপন কৰি আগন্তুক কাৰ্যকালত ৰূপায়ণ কৰিব লগীয়া বিভিন্ন কাৰ্যসূচী সম্পৰ্কত পৰামৰ্শ আগবঢ়ায়। নৱ নিৰ্বাচিত সভাপতি নগেন বৰা আৰু সাধাৰণ সম্পাদক প্ৰনৱ চক্ৰৱৰ্তীয়ে দায়িত্বভাৰ গ্ৰহণ কৰি সকলোৰে সহায় সহযোগিতা আৰু পৰামৰ্শ কামনা কৰি বক্তব্য ৰাখে। উল্লেখ্য যে যোৱা ৭ জুনত দেৰগাঁৱত অনুষ্ঠিত অধিবেশনৰ প্ৰতিনিধি সভাই পৰৱৰ্তী দুটা বছৰৰ বাবে মেৰাপানীৰ নগেন বৰাক সভাপতি, গোলাঘাটৰ দ্বীপমণি খাটনিয়াৰক কাৰ্যকৰী সভাপতি, দেৰগাঁৱৰ প্ৰণৱ চক্ৰৱৰ্তীক সাধাৰণ সম্পাদক আৰু বৰপথাৰৰ বিবেকানন্দ দত্তক সম্পাদক হিচাপে নৈ গঠন কৰা নতুন সমিতি খনক আনুষ্ঠানিকভাৱে পূৰণি সমিতিৰ সভাপতি সাধাৰণ সম্পাদকে দায়িত্ব ভাৰ অৰ্পণ কৰে। আজিৰ এই সভাৰ শেষত সাংবাদিকৰে হোৱা বাৰ্তালাপত ন'তুন সভাপতি আৰু সাধাৰণ সম্পাদক গৰাকীয়ে প্ৰেছৰ স্বাধীনতা, আৰ্থিক নিৰাপত্তা, স্বাস্থ্য আদি কেইবাটাও বিষয়ৰ ওপৰত আলোকপাত কৰে। লগতে এই দাবী সমূহ অতি শীঘ্ৰে কাৰ্যকৰী কৰিববাবে অসম চৰকাৰক দাবী উত্থাপন কৰে।

প্ৰবীণ শিল্পী মঞ্চৰ ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২২ জুন ঃ গোলাঘাটৰ এটি অগ্ৰণী সামাজিক, সাংস্কৃতিক অনুষ্ঠান 'প্ৰবীণ শিল্পী মঞ্চ'ই কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস উপলক্ষে আয়োজন কৰ গোলাঘাট জিলা ভিত্তিত নবম আৰু দশম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ মাজত নিৰ্বাচিত বিষয়ৰ ওপৰত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ ফলাফল আজি ঘোষণা কৰে। আজি পুৱা গোলাঘাট চহৰৰ ক্ৰিমুৰ্তি ক্ষেত্ৰত কলাগুৰুগৰাকীলৈ জনোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰবীণ শিল্পী মঞ্চৰ সভাপতি বাসৰ ৰববৰাই এই ফলাফল ঘোষণা কৰে। সেই অনুসৰি গোলাঘাটৰ দশুধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ নৱম মান শ্ৰেণীৰ বিয়া ৰয় প্ৰথম স্থান, গোলাঘাট জাতীয় বিদ্যালয়, নৱম শ্ৰেণীৰ ছাত্ৰ সীমান্ত লহকৰ আৰু কুশল কৌৰৰ বাল্য ভৱন, গোলাঘাটৰ নৱম শ্ৰেণীৰ ছাত্ৰী প্ৰজ্ঞাশ্ৰী ৰবাই যুটীয়াভাৱে দ্বিতীয় স্থান, দশুধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী মুজবিন বেগম আৰু কুশল কৌৰৰ বাল্য ভৱন, গোলাঘাটৰ নৱম শ্ৰেণীৰ ছাত্ৰী প্ৰতীক্ষা ৰবাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। প্ৰবীণ শিল্পী মঞ্চ, গোলাঘাটৰ সম্পাদক ৰাজীব শৰ্মাই জনোৱা মতে বিজয়ী প্ৰতিযোগীসকলক নিজ ন